অনুপসৰ্জনং যট্টিদাদি তদন্তং যদদন্তং প্ৰাতিপাদিকং ততঃ স্ত্ৰিয়াং ঙীপ্ স্যাত্। কুৰুচৰী, নদট্-নদী, দেৱট্-দেবী, সৌপৰ্ণেয়ী, ঐন্দ্ৰো, ঔৎসা, ঊৰুদ্বয়সা, উৰুদঘ্নী, ঊৰুমাত্ৰী, পঞ্চতয়ী আক্ষিকী, প্ৰাস্থিকী, লাবণিকী ইতি।

উপসৰ্জ ভিন্ন যি টিৎ, ঢ প্ৰত্যয়, অন্, অঞ, দ্বয়সচ্, দঘ্নঞ, মাত্ৰচ, তয়প্, ঠক্, ঠঞ্, কঞ্ আৰু ক্বৰপ্ প্ৰত্যয়ান্ত অকাৰান্ত প্ৰাতিপদিকৰ স্ত্ৰীলিঙ্গত ঙীপ্ প্ৰত্যয় হয়। কুৰুচৰী, নদট্-নদী। দেৱট্-দেবী, সৌপৰ্নেয়ী, ঐন্দ্ৰী, পঞ্চতয়ী, লাৱনিকী ইত্যাদি।

৫। **নঞ্স্নঞীকক্খ্যুংস্তৰুণতলুনানামুপসংখ্যানম্।**

স্ত্ৰৈণী। পৌস্নী। শাক্তিকী। যাষ্টিকী। আঢ্যঙ্কৰনী। তৰুনী। তলুনী। (বাৰ্ত্তিক)।

ই বাৰ্ত্তিক সূত্ৰ। নঞ্, স্নঞ্, ঈকক্, খ্যুন্ প্ৰত্যয়ান্ত আৰু তৰুণ, তলুন শব্দৰ পৰা ঙীপ্ প্ৰত্যয় হয়। স্ত্ৰৈণী। পৌংস্নী। শাক্তিকী। যাষ্টিকী, আঢ্যঙ্কৰণী। তৰুণী। তলুনী।

৬। **যঞশ্চ** (৪।১।১৬)

যঞন্তাত্ স্ত্ৰিয়াং ঙীপ্ স্যাত্। অকাৰলোপে কৃতে—

যঞন্ত প্ৰাতিপাদিকৰ পৰা ঙীপ্ প্ৰত্যয় হয়, স্ত্ৰীলিঙ্গত। অকাৰ লোপ কৰি—

৭। **হলস্তদ্ধিতস্য** (৬।৪।১৫০)

হলঃ পৰস্য তদ্ধিতযকাৰস্যোপধা ভূতস্য লোপ ইতি পৰে। গাৰ্গী।

ঈকাৰ পাছত থাকিলে হলৰ পাছত থকা উপধাভূত যি তদ্ধিত সম্বন্ধি যকাৰ তাৰ লোপ হয়। যেনে— গাৰ্গী।

৮। **প্ৰাচাং স্ফ তদ্ধিতঃ** (৪।১।১৭)

যঞন্তাত্ স্ফো বা স্যাৎ স চ তদ্ধিতঃ।

যঞ্ প্ৰত্যাহাৰান্ত শব্দৰ পৰা বিকল্পে স্ত্ৰীলিঙ্গত 'স্ফ' প্ৰত্যয় হয়, আৰু তাৰ তদ্ধিত সংজ্ঞা হয়।

৯। **ষিদ্গৌৰাদিভ্যশ্চ** (৪।১।৪১)

ষিদ্ভ্যো গৌৰাদিভ্যশ্চ স্ত্রিয়াং ঙীপ্ স্যাত্। গার্গ্যায়নী। গৌৰী। অনডুহী। অনড্বাহী। আকৃতিগণোঽয়ম্।

ষিদন্ত শব্দ আৰু গৌৰ প্রভৃতি গণ পঠিত শব্দৰ পৰা স্ত্রীলিঙ্গে ঙীপ্ প্রত্যয় হয়। উদাহৰণ— গার্গ্যয়নী। নর্তকী, গৌৰী, অন্ডুহী, অনক্ৱাহী, এইটো আকৃতি গণৰ অন্তর্গত।

১০। **বয়সি প্রথমে** (৪।১।২০)

প্রথমবয়োবাচিনোঽদন্তাৎ স্ত্রিয়াং ঙীপ্ স্যাত্। কুমাৰী।

প্রথম বয়স বাচক অদ্ অন্ত শব্দৰ স্ত্রিলিঙ্গে ঙীপ্ প্রত্যয় হয়। যেনে— কুমাৰ + ঙীপ্ = কুমাৰী।

১১। **দ্বিগোঃ** (৪।১।২১)

অদন্তাদ্বিগোঙীপ্ স্যাত্। ত্রিলোকী। অজাদিত্বাত্ত্রিফলা। ত্র্যনীকা সেনা।

অদন্ত দ্বিগু সমাস শব্দৰ পৰা স্ত্রীলিঙ্গত ঙীপ্ প্রত্যয় হয়। ত্রিলোকী। অজাদিত্বাৎ। ত্রিফলা, ত্র্যনিকা সেনা।

১২। **বর্ণাদনুদাত্তাত্তোপাধাত্তোঃ নঃ** (৪।১।৩৯)

বর্ণবাচী যোনুদাত্তান্তস্তোপধস্তদন্তাদ্ অনুপসর্জনাত্প্রাতিপতিকাদ্বা ঙীপ্, তকাৰস্য নকাৰাদেশশ্চ। এনী, এতা। ৰোহিনী, ৰোহিতা।

বর্ণবাচক যি অনুদাত্ত তাৰ অন্তত ত উপধা, তদন্ত যি অনুপসর্জন প্রাতিপদিক, তাৰ ঙীপ্ প্রত্যয় হয় স্ত্রীলিঙ্গত। মৃদ্বী, মৃদুঃ।



# অথ কৃদন্ত কৃত্য প্রকৰণম্

**ধাতোঃ** (৩।১।৯১)

আ তৃতীয়াধ্যায় সমাপ্তে র্যে প্রত্যয়ান্তে ধাতোঃ পৰে স্যুঃ। কৃদতিঙিতি কৃত্ সংজ্ঞা। এইটো অধিকাৰ সূত্র— তৃতীয় অধ্যয় সমাপ্তি নোহোৱা পর্য্যন্ত যি প্রত্যয় সেইবিলাক ধাতুৰ পৰা হ'ব।

**ৱা সৰূপোঽস্ত্রিয়াম্** (৩।১।৯৪)

অস্মিন্ ধাত্বাধিকাৰেঽসৰূপোঽপৰাদ প্রত্যয় উৎ সর্গস্য বাধকো ৱা স্যাৎ, স্ত্র্যধিকাৰোক্তং বিনা।। স্ত্রী অধিকাৰত উক্ত যি প্রত্যয় তাক ত্যাগ কৰি, ধাতুৰ অধিকাৰত অসৰূপ যি অপবাদ প্রত্যয় সেই উৎসর্গ শাস্ত্রৰ বিকল্পে বাধক হয়।

**কর্তৰিকৃৎ** (৩।৪।৬৭)

কৃৎ প্রত্যয়ঃ কর্তৰি স্যাৎ। ইতি প্রাপ্তে। কৃৎ প্রত্যয় কর্ত্তৃবাচ্যত হয়। এই সূত্রৰ প্রাপ্তিত—

**তয়োৰেবকৃত্যক্তখলর্থাঃ** (৩।৪।৭০)

এতে ভাৱকর্মণ্যেৰেব স্যুঃ। কৃত্য প্রত্যয় ক্ত প্রত্যয়। খলর্মক প্রত্যয় ভাব ও কর্ম বাচ্যত হয়। কর্মবাচ্যে বা ভাববাচ্যে ক্ত প্রত্যয় থাকিলে, কর্তৃবাচ্যে পৰিবর্তন কৰোতে ইয়াৰ উত্তৰ ক্তবতু কৰিব লাগে। যথা, বানকৈঃ সাধুঃ পূজিতঃ— বালকাঃ সাধুং পূজিতবন্তঃ, স্ত্রীভিঃ হসিতম্— স্ত্রিয়ঃ হসিতবত্যঃ।

**লঃ কর্মণি চ ভাবে চাকর্মকেভ্যঃ** (৩।৪।৬৯)

ধাতুৰ উত্তৰ 'কৃত্য' সংজ্ঞক প্রত্যয়বিলাক ক্ত-প্রত্যয় আৰু খলর্থ অর্থাৎ কৃচ্ছ্র-অকৃচ্ছ্রার্থক প্রত্যয় কর্মবাচ্যত আৰু ভাৱবাচ্যত হৈ থাকে। ত্বয়া

(তব) পুস্তকং পটনীয়ম্, তেন কৰ্ম কৃতম্, শিশুনা ৰুদিতম্, বালকেন হসিতম্, সুকৰম্ ইদং ময়া (সু-কৃ খল্ = সুকৰ)।

## কৃত্য প্ৰত্যয় (Potential Participles)

**কৃত্যাঃ (৩।১।৯৫)**

এইখন কৃত্য প্ৰত্যয় বিহিত সূত্ৰ। তব্য, অনীয়, ণ্যৎ, যৎ আৰু ক্যপ্— এই পাঁচ প্ৰত্যয়ক কৃত্য প্ৰত্যয় বোলে।

**তব্যানীয়ৌ ণ্যদ্ যৎ ক্যপ্ পঞ্চৈতে কৃত্যসংজ্ঞকাঃ।**

**ভাৱে কৰ্মণি চেতৈ স্যুৰ্লক্ষ্যতেঽন্যত্ৰ কুত্ৰচিৎ।।**

কেলিমৰ্ প্ৰত্যয়ত্ত কৃত্যপ্ৰত্যয়ৰ অন্তৰ্গত। অৰ্থাৎ কেলিমৰ্ প্ৰত্যয়ক লৈ কৃত্য প্ৰত্যয় ছপ্ৰকাৰৰ। ঔচিত্য, আদেশ, অনুজ্ঞা, যোগ্যতা আৰু ভবিষ্যৎ কাল বুঝালে কৰ্মবাচ্যত আৰু ভাৱবাচ্যত ধাতুৰ উত্তৰ কৃত্যপ্ৰত্যয় হয়। কৰ্মবাচ্যত এই প্ৰত্যয়বোৰ কৰ্মৰ বিশেষণ আৰু ভাৱবাচ্যত এইবোৰ ক্লীৱলিঙ্গ প্ৰথমাৰ একবচন হয়। এইসকল শব্দৰ ৰূপ পুংলিঙ্গত নৰ, স্ত্ৰীলিঙ্গত লতা আৰু ক্লীৱলিঙ্গত ফল শব্দৰ ন্যায় হয়। এইসকল প্ৰত্যয়ান্ত শব্দ সমাপিকা ক্ৰিয়াৰ কাৰ্য কৰে। এইসকল প্ৰত্যয়ান্ত শব্দৰ কৰ্তৃকাৰকত তৃতীয়া অথবা ষষ্ঠী বিভক্তি হয়। মনত ৰাখিবলগীয়া কথাটো হ'ল— এই প্ৰত্যয়ান্ত শব্দসকল সাধাৰণতে কৰ্তৃবাচ্যত নহয়।

### ১। তব্য, ২। অনীয়ৰ্

১। **তব্যত্তব্যানীয়ৰঃ (৩।১।৯৬)**

কৰ্মবাচ্যত আৰু ভাৱবাচ্যত যাবতীয় ধাতুৰ পিছত তব্য আৰু অনীয় প্ৰত্যয় হয়। (১) যথা, কৰ্মবাচ্যে- ময়া (বা মম) বেদঃ পঠনীয়ঃ — I should read the Vedas. ত্বয়া (বা তব) নক্ষত্ৰাণি দ্ৰষ্টব্যানি— You should see the stars. ভাৱবাচ্যে— তেন (বা তস্য) গন্তব্যম্— He should go; যুষ্মাভিঃ (বা যুষ্মাকম্) ন হসনীয়ম্— You should not lough.



তব্য আৰু অনীয় প্ৰত্যয়ান্ত কিছুমান শব্দ— আপ্-আপ্তব্য, আপনীয়; অধি-ই অধ্যেতব্য, অধ্যয়নীয়; ঈক্ষ্-ঈক্ষিতব্য, ঈক্ষণীয়; কৃ-কৰ্তব্য; কৰণীয়; ক্ৰী-ক্ৰেতব্য, ক্ৰয়নীয়; গম্-গন্তব্য, গমনীয়; গ্ৰহ-গ্ৰহীতব্য, গ্ৰহণীয়; জি-জেতব্য, জয়নীয়; ত্যজ্-ত্যক্তব্য, ত্যজনীয়; দহ্-দগ্ধব্য, দহনীয়; দা-দাতব্য, দানীয়; দৃশ্-দ্ৰষ্টব্য, দৰ্শনীয়, নী-নেতব্য, নয়নীয়; পঠ্-পঠিতব্য, পঠনীয়; প্ৰচ্ছ্-প্ৰষ্টব্য, প্ৰচ্ছনীয়; বুধ্-বোদ্ধব্য, বোধনীয়; ব্ৰূ-বক্তব্য, বচনীয়; ভক্ষ্-ভক্ষিতব্য, ভক্ষণীয়; ভিদ্-ভেত্তব্য, ভেদনীয়; যজ্-যষ্টব্য, যজনীয়; যাচ্-যাচিতব্য, যাচনীয়; লভ্-লব্ধব্য, লভনীয়; লিহ্-লেঢ়ব্য, লেহনীয়; বহ্-বোঢ়ব্য, বহনীয়; শী-শয়িতব্য, শয়নীয়; শ্ৰু-শ্ৰোতব্য, শ্ৰবনীয়; সহ্-সোঢ়ব্য, সহনীয়; সৃজ-স্ৰষ্টব্য, সৰ্জনীয়, স্পৃশ্-স্প্ৰষ্টব্য, স্পৰ্শনীয়; স্মৃ-স্মৰ্তব্য, স্মৰণীয়; হন্-হন্তব্য, হননীয়; হৃ-হৰ্তব্য, হৰণীয়।

### ৩। যৎ

**অচো যৎ (৩।১।৯৭), পোৰদুপধাৎ (৩।১।৯৮), শকিসহোশ্চ (৩।১।৯৯)**

কৰ্মবাচ্যত আৰু ভাৱবাচ্যত স্বৰাড়ত ধাতু, পবৰ্গান্ত ধাতু, শক্ আৰু সহ্ ধাতুৰ উত্তৰ যৎ প্ৰত্যয় হয়। 'ৎ' ইৎ হয়, কেৱল য থাকে। যৎ প্ৰত্যয় হ'লে ধাতুৰ অন্তস্থিত আকাৰ স্থানে একাৰ হয় একং ধাতুৰ হবৰ্ণ স্থানে এ আৰু উবৰ্ণ স্থানে/ঠাইত ওকাৰ হয়। ওকাৰৰ অবাদেশ হয়। যেনে— দা-দেয়, গৈ-গেয়, পা-পেয়, স্থা-স্থেয়, মা-মেয়, হা-হেয়, ধা-ধেয়, চি-চেয়, নী-নেয়, জি-জেয়, শ্ৰু-শ্ৰব্য, ভু-ভব্য, শপ্-শপ্য, ৰভ্-ৰভ্য, লভ্-লভ্য, গম্-গম্য, নম্-নম্য, জি-জেয় (জয়ৰ যোগ্য), জয্য (যাক জয় কৰিব পৰা যায়); ক্ৰী-ক্ৰেয় (ক্ৰয়ৰ যোগ্য), ক্ৰয্য (যি ক্ৰয়ৰ বাবে আপনে/ দোকানত উপলব্ধ); ক্ষি-ক্ষয় কৰাৰ যোগ্য; ক্ষয্য (ক্ষেতুং শক্যম্, যি ক্ষয় কৰিব পৰা যায়)।

**গদমদচৰযমশ্চানুপসৰ্গে (৩।১।১০০)**

উপসৰ্গহীন গদ্, মদ্, চৰ্ আৰু যম্ ধাতুৰ উত্তৰ যৎ প্ৰত্যয় হয়। যেনে— গদ্-গদ্য; মদ্-মদ্য; চৰ্-চৰ্য; যম্-যম্য। উপসৰ্গ পূৰ্বত থাকিলে ণ্যৎ হয়। যেনে— নিগাদ্য, প্ৰমাদ্য, বিচাৰ্য, নিযাজ্য। আপূৰ্বক চৰ্ ধাতুৰ উত্তৰ

বা পিছত গুৰুভিন্ন অৰ্থ বুজালে যৎ প্ৰত্যয় হয়। যথা, আচৰ্যো নিয়মঃ, আচৰ্যো দেশঃ (গন্তব্যঃ)।

কথং নিয়ম্যঃ, যত্নোপচৰ্যম্? দুষ্প্ৰাপ্যশব্দবৎ পশ্চাৎ প্ৰাদিসমাসঃ, যৎ তু অনুপসৰ্গাদেব;

## ৪। ণ্যৎ

**ঋহলোৰ্ণ্যৎ (৩।১।১২৪)**

ঋৱৰ্ণান্তাদ্ধলন্তাচ্চ ধাতোৰ্ণ্যৎ স্যাৎ। ঋবৰ্ণান্ত আৰু হলন্ত ধাতুৰ পৰা ণ্যৎ প্ৰত্যয় হয়। কাৰ্য্যম্ (√কৃ + ণ্যৎ), হাৰ্য্যম্, ধাৰ্য্যম্।

**টোকা ঃ—**

কাৰ্য্যম্— কৰ্তুং যোগ্যম্ কাৰ্য্যম্। কৃধাতোঃ 'ঋহলোৰ্ণ্যৎ' ইতি ণ্যৎ প্ৰত্যয়ে অচো ঞ্ণিতি' ইতি বৃদ্ধৌ পৰত্বে বিভক্তিকাৰ্য্যে তত্সিদ্ধম্।

**চজোঃ কুঘিণ্ণ্যতোঃ (৭।৩।৫২)**

চকাৰ আৰু জকাৰৰ কুত্ব হয় ঘিৎ আৰু চ্যৎ প্ৰত্যয় পাচত থাকিলে।

**মৃজেৰ্বৃদ্ধিঃ (৭।২।১১৪)**

মৃজেৰিকো বৃদ্ধিঃ স্যাৎ সাৰ্ৱধাতুকাৰ্ধধাতুকয়োঃ। মৃজ্ ধাতুৰ যি ইক্ তাৰ বৃদ্ধি হয়, সাৰ্বধাতুক আৰু আৰ্ধধাতুক পাচত থাকিলে। যেনে— মাৰ্গ্যঃ।

**টোকা ঃ—**

মাৰ্গ্যঃ- মাৰ্জিতুং যোগ্যঃ মৃজ্যঃ, মাৰ্গ্যঃ। মৃজ্ ধাতোঃ 'মৃজেৰ্বিভাষা' ইতি বিকল্পেন ক্যপি কিত্ত্বাদ্ গুণাহভাৱে 'ঋহলোৰ্ণ্যৎ' ইতি ণ্যতি 'চজোঃ কু ঘিণ্ণ্যতোঃ' ইতি জস্য কুত্বে 'মৃজেৰ্বৃদ্ধি ইতি বৃদ্ধৌ ৰপৰত্বে বিভক্তিকাৰ্যে 'মাৰ্গ্য' ইতি সিদ্ধম্।

**ভোজ্যং ভক্ষ্যে (৭।৩।৬৯)**

ভোগ্যমন্যত্। ভক্ষ অৰ্থত, ভোজ্য নিপাতনত নিষ্পন্ন হয়।

ভক্ষ্য অৰ্থে ণ্য পিছত থাকিলে ভুজ্ ধাতুৰ উত্তৰ জ-কাৰৰ ঠাইত গ-কাৰ নহয়। যেনে— ভোজ্যমন্নং, ভোজ্যং পয়ঃ।



## ৫। শতৃ, শানচ্ (Present Participles)

**লটঃ শতৃশানচাৰপ্ৰথমাসমানাধিকৰণে (৩।২।১২৪)**

অপ্ৰথমান্তেন সমানাধিকৰণে লট এতৌ বা স্তঃ। শবাদি। পচন্তং চৈত্ৰং পশ্য। পৰস্মৈপদী ধাতুৰ উত্তৰ বৰ্তমানকালে কৰ্তৃবাচ্যে শতৃ হয়, শ্ ঋ ইৎ যায়, অৎ থাকে।

লটৰ অন্তি বিভক্তিত যি ধাতুৰ যি কাৰ্য্য হয়, শতৃ হ'লে সেই ধাতুৰ সেই কাৰ্য্য হৈ থাকে। যেনে— ভ্বাদি-গনীয়- ধাব্ ধাবৎ, গৈ গায়ৎ, পত্ পতত্, স্থা তিষ্ঠৎ, পা পিবিৎ, দৃশ্ পশ্যৎ। তুদাদিগনীয়ইষ্ ইচ্ছৎ, প্ৰচ্ছ্ পৃচ্ছৎ ইত্যাদি। অদাদিগনীয়হন্ ঘ্নৎ, ই যৎ, যা যাৎ, অস্ সৎ।

**বিদেঃ শতুৰ্বসুঃ (৭।১।৩৬)**

বেত্তেঃ পৰস্য শতুৰ্বসুৰাদেশো বা। বিদ্ন। বিধ্বান্। অদাদি-গনীয় বিদ্ ধাতুৰ শতৃ-স্থানে বিকল্পে বস্ (বসু) হয়। যেনে— বিদ্বস্ বিদৎ।

**টোকা ঃ—**

১। কৰ্ত্তৃবাচ্যত আত্মনেপদী ধাতুৰ উত্তৰ বৰ্ত্তমান কালত শানচ্ হয়, শ্ চ্ ইৎ, আন থাকে। (সূত্ৰ → তঙানাবাত্মনেপদম্)।

২। ধাতুৰ উত্তৰ শানচ্ হ'লে, লটৰ 'আতে' বিভক্তিৰ যাৱতীয় কাৰ্য্য হয়।

৩। ভ্বাদি, দিবাদি, চুৰাদি আৰু তুদাদি গনীয় ধাতুৰ উত্তৰ শানচ্ৰ ঠাইত মান হয়। যেনে— ভ্বাদিগনীয়— সেব্ সেৱমান, বৃত্ বৰ্ত্তমান, বৃধ্ বৰ্ধমান। দিবাদিগনীয়— বিদ্ বিদ্যমান, দীপ্ দীপ্যমান।

৪। অদাদিগনীয় আস্ ধাতুৰ উত্তৰ শানচ্ৰ ঠাইত ঈন হয়। যেনে— আস্ আসীন।

৫। কৰ্ত্তৃবাচ্যত উভয়পদী ধাতুৰ উত্তৰ বৰ্তমানকালে শতৃ আৰু শানচ্ উভয়ই হয়। যেনে— ভ্বাদিগনীয়— শ্ৰি শ্ৰয়ৎ শ্ৰয়মান; নী নয়ৎ নয়মান।

৬। কৰ্মবাচ্যত ধাতুৰ উত্তৰ বৰ্ত্তমানকালত শানচ্ হয়। শানচ্ প্ৰত্যয়ৰ

মান থাকে আৰু ধাতুৰ পিছত 'য়' আগম হয়। যেনে— কৃ ক্রিয়মান, বচ্ উচ্যমান, দা-দীয়মান।

## ক্ত্বাচ্ আৰু ল্যপ্

**১। "সমান-কর্ত্তৃকয়ো পূর্ব কালে" সমাসেऽনঞ্ পূর্ব্বে ক্ত্বো ল্যপ্**

অতীত অৰ্থাৎ আগতে হৈ যোৱা অসমাপিকা ক্রিয়াৰ অৰ্থ বুজাবলৈ ক্ত্বাচ্ আৰু ল্যপ্ প্ৰত্যয়ৰ প্ৰয়োগ হয়। কিন্তু বাক্যটোৰ সমাপিকা আৰু অসমাপিকা দুয়োটা ক্রিয়াৰ কর্ত্তাপদ একোটা হ'ব লাগিব। আগেয়ে হৈ যোৱা ঘটনা বুজোৱা ক্রিয়াটোত ক্ত্বাচ্ বা ল্যপ্ হ'ব। নঞ্ অব্যয়ৰ বাহিৰে ধাতুৰ আগত উপসৰ্গ থাকিলে ল্যপ্ আৰু উপসৰ্গ নাথাকিলে ক্ত্বাচ্ হয়।

ক্ত্বাচ্ প্ৰত্যয়ৰ ক্ আৰু চ্ ইৎ যায়, থাকে মাথোন 'ত্বা'। যেনে— পিঠ্ + ক্ত্বাচ্ = পঠিত্বা। ল্যপ্ প্ৰত্যয়ৰ ল্ আৰু প্ ইৎ যায়, কেৱল মাত্ৰ 'য়' থাকে। আ + দা + ল্যপ্— আদায়।

**২। হ্ৰস্বস্য পিতি কৃতি তুক্**

এই সূত্ৰমেত ল্যপ্ প্ৰত্যয়ৰ প্ ইৎ হোৱা বাবে হ্ৰস্ব-স্বৰান্ত ধাতুৰ পাচত ত্ আগম হ'ব লাগে, আ-শ্ৰি + ল্যপ্ = আশ্ৰিত্য।

৩। ল্যপ্ প্ৰত্যয় যুক্ত হ'লে ঋ ঠাইত ঈৰ্ হয়, যেনে— ৱি + কৄ + ল্যপ্ = ৱিকীৰ্য্য, ৱি + দৄ + ল্যপ্ = ৱিদীৰ্য্য।

৪। ল্যপ্ প্ৰত্যয় যোগ হ'লে নিচ্ৰ ই লোপ হয়। অধি + আপি (ই + নিচ্) = অধ্যাপ্য, আ-লোচি + ল্যপ্ = আলোচ্য।

৫। ক্ত্বাচ্ আৰু ল্যপ্ হ'লে কোনো কোনো ধাতুৰ বিশেষ পৰিবৰ্তন পৰিলক্ষিত হয়। যেনে— কিছুমান ধাতুৰ আদিন্দ্ৰত থকা ৱকাৰৰ ঠাইত উ হয়, যেনে— ৱস্ + ক্ত্বাচ্ = উষিত্বা, ৱহ্ + ক্ত্বাচ্ = উঢ্বা।

৬। কিছুমান ধাতুৰ য কাৰৰ ঠাইত ইকাৰ হয়। যেনে— যজ্ + ক্ত্বাচ্ = ইষ্ট্বা।

৭। ক্ত্বাচ্ প্ৰত্যয় পাচত থাকিলে ন-কাৰান্ত ধাতুৰ ন্ লোপ হয়, যেনে— মন্ + ক্ত্বাচ্ = মত্বা, হন্ + ক্ত্বাচ্ = হত্বা।

৮। ল্যপ্ প্ৰত্যয় পাচত থাকিলে ধাতুৰ অন্তত থকা ন-কাৰৰ ঠাইত ত-কাৰ হয়, যেনে— নি-হন্ + ল্যপ্ = নিহত্য।

ক্ত্বাচ্ আৰু ল্যপ্ প্ৰত্যয়ান্ত শব্দ অব্যয়। গতিকে তাৰ ৰূপ কৰিব নোৱাৰি।



## তদ্ধিত প্ৰত্যয়

### ঠক্ প্ৰত্যয়

**প্ৰাগ্‌বহতেষ্ঠক্ (৪।৪।১)**

তদ্‌ৱহতীত্যতঃ প্ৰাক্ ঠগধিক্রিয়তে। "তদ্‌ৱহতি ৰথযুগ" এই সূত্ৰৰ পূৰ্বলৈকে ঠক্ প্ৰত্যয়ৰ অধিকাৰ হ'ব।

**ৰেৱত্যাদিভ্যষ্টক্**

ৰেৱতী প্ৰভৃতি প্ৰাতিপদিকৰ পাচত অপত্যাৰ্থক ঠক্ প্ৰত্যয় হয়। ঠক্ প্ৰত্যয়ৰ ঠাইত ইক হয়। যেনে— ৰেৱত্যাঃ অপত্যং পুমান্— ৰেৱতী + ঠক্ = ৰৈৱতিকঃ। অশ্বপাল্যাঃ অপত্যংপুমান্-অশ্বপালিকঃ।

**তেনদীব্যতি খনতি জয়তি জিতম্ (৪।৪।২)**

তৃতীয়ান্ত পদৰ পৰা ঠক্ প্ৰত্যয় হয়, দীব্যতি

**সংস্কৃতম্ (৪।৪।৩)**

তৃতীয়ান্ত পদৰ পৰা সংস্কৃত অৰ্থত ঠক্ প্ৰত্যয় হয়। দধ্না সংস্কৃতম্ দাধিকম্। মাৰীচিকম্।

**তৰতি (৪।৪।৫)**

তেনেত্যেৰ তৃতীয়ান্ত পদৰ পৰা তৰতি (পাৰ হোৱা) অৰ্থত ঠক্ প্ৰত্যয় হয়। উডুপেন তৰতি ঔডুপিকঃ।

**ৰক্ষতি (৪।৪।৩৩)**

ৰক্ষতীত্যৰ্থে দ্বিতীয়ান্তাৎ ঠক্ স্যাৎ। ৰক্ষা কৰা অৰ্থত দ্বিতীয়ান্ত পদৰ পৰা ঠক্ প্ৰত্যয় হয়। সমাজং ৰক্ষতি সামাজিকঃ।

**শব্দদৰ্দুৰংকৰোতি (৪।৪।৩৪)**

কৰোতীত্যৰ্থে দ্বিতীয়ান্তাৎ শব্দশব্দাৎ দুৰ্দুৰ শব্দাচ্চ ঠক্ প্ৰত্যয়ঃ স্যাৎ। দ্বিতীয়ান্ত শব্দ আৰু দৰ্দুৰ শব্দৰ পৰা ঠক্ প্ৰত্যয় হয়। শব্দং কৰোতি শাব্দিকঃ, দৰ্দুৰং কৰোতি দাৰ্দুৰিকঃ।

**ধৰ্মং চৰতি (৪।৪।৪১)**

চৰতীত্যৰ্থে দ্বিতীয়ান্তাৎ ধৰ্মশব্দাৎ ঠক্ প্ৰত্যয়ো ভবতি। আচৰণ কৰা অৰ্থত দ্বিতীয়ান্ত ধৰ্ম শব্দৰ পৰা ঠক্ প্ৰত্যয় হয়। ধৰ্মং চৰতি ধাৰ্মিকঃ।

**অধৰ্মাচ্চেতি ৱক্তৱ্যম্ (বাৰ্ত্তিক)**

আচৰণ কৰা অৰ্থত দ্বিতীয়ান্ত অধৰ্ম শব্দৰ পৰা ঠক্ প্ৰত্যয় হয়। অধাৰ্মিকঃ।

## মতুপ্ প্ৰত্যয়

১। **তদস্যাস্ত্যস্মিন্নিতি মতুপ্**

(তৎ-অস্য-অস্তি-অস্মিন্) ইতি মতুপ্— 'তৎ অস্য অস্তি (সেইটো ইয়াৰ আযেছ) বা 'তৎ অস্মিন্ অস্তি' (সেইটো ইয়াত আছে) এই দুই ৰকমৰ অৰ্থ প্ৰকাশ কৰিবলৈ প্ৰাতিপদিকৰ অন্তত মতুপ প্ৰত্যয় হয়। মতুপ্ প্ৰত্যয়ৰ 'উ' আৰু 'প্' ইৎ, কেবলমাত্ৰ 'মৎ' থাকে। গাবঃ সন্তি অস্য-গো + মতুপ্ = গোমৎ, প্ৰথমাৰ একবচনে গোমান্, প্ৰথমাৰ দ্বিবচনে আৰু বহুবচনত যথাক্ৰমে গোমন্তৌ গোমন্তঃ ইত্যাদি।

২। **মাদুপধায়াশ্চ**

মকাৰান্ত, অবৰ্ণান্ত, উপধা মকাৰ যুক্ত, উপধা অবৰ্ণযুক্ত প্ৰাতিপদিকৰ লগতো মতুপৰ 'ম'ৰ ঠাইত 'ব' হয়, যেনে— কিম্ + মতুপ = কিংবান্, পুত্ৰোঽস্যাস্তি— পুত্ৰবান, দয়া অস্য অস্তি— দয়াবান, (উপধা মকাৰ যুক্ত) লক্ষ্মীঃ যস্যাস্তি মঃ লক্ষ্মীবান্।



৩। মতুপ্ প্ৰত্যয়ান্ত শব্দবোৰ প্ৰায় বিশেষণৰ দৰে ব্যবহাৰ হয়। গতিকে স্ত্ৰীলিঙ্গত ঈকাৰান্ত হৈ তাৰ ৰূপ 'নদী' শব্দৰ দৰে হয়, ক্লীৱলিঙ্গত 'গচ্ছৎ' শব্দৰ ক্লীৱলিঙ্গৰ ৰূপৰ দৰে আৰু পুংলিঙ্গত প্ৰায় 'গচ্ছৎ' শব্দৰ পুংলিঙ্গৰ দৰে, কেৱল পুংলিঙ্গৰ প্ৰথমাৰ একবচনত এটা আকাৰৰ বেশী সংযোগ হয়। যেনে— ধনবান্ জনঃ (পুং); ধনৱতী স্ত্ৰী (স্ত্ৰীং) আৰু ধনৱৎ মিত্ৰম্।

৪। **অস্-মায়া-মেধা-স্ৰজো ৱিনি ঃ**

'অস্'-ভাগান্ত প্ৰাতিপদিক, মায়া, মেধা আৰু স্ৰজ্ শব্দৰ অন্তত মতুপ্ প্ৰত্যয়ৰ অৰ্থত অৰ্থাৎ 'আছে' অৰ্থে ৱিনি প্ৰত্যয়ো হ'ব পাৰে। 'ৱিনি' প্ৰত্যয়ৰ ন্-কাৰৰ ইৎ হয়, কেৱল ৱিন্ থাকে। যেনে— যশস্— যশস্বী, যশশ্বান্, মনস্—মনস্বী, মনস্বাম্।

এটাতকৈ অধিক স্বৰবিশিষ্ট প্ৰাতিপদিকৰ অন্তত বিকল্পত 'ইন্' প্ৰত্যয় হোৱা পৰিলক্ষিত হয়। যেনে— জ্ঞান-জ্ঞানী, জ্ঞানবান, ধন-ধনী, ধনবান্।

## ইনি প্ৰত্যয়

১। **সুখাদিভ্যশ্চ**

সুখ প্ৰভৃতি কিছুমান শব্দৰ উত্তৰ 'সেইটো ইয়াৰ আছে' অথবা 'সেইটো ইয়াত আছে' এনেকুৱা অৰ্থত ইনি হ'ব পাৰে। ইনি প্ৰত্যয়ৰ ন-কাৰৰ ইকাৰ ইৎ যায়, কেৱল ইন্ থাকে। যেনে— সুখম্ অস্য অস্তি = সুখিন। পক্ষিন্ শব্দৰূপৰ নিচিনা ইয়াৰ ৰূপ ও সুখী সুখিনৌ সুখিনঃ ইত্যাদি হয়।

২। **হস্তাজ্জাতৌ**

হস্ত শব্দৰ পাচত জাতি বুজাবলৈ হ'লে 'ইনি' প্ৰত্যয় হয়। যেনে— হস্তঃ অস্য অস্তি— হস্তী (হস্তিন্ শব্দ), কিন্তু হস্তঃ অস্য পুৰুষস্য অস্তি→ হস্তবান্ পুৰুষঃ।

৩। **ৱৰ্ণাৎ ব্ৰহ্মচাৰিণি**

ব্ৰহ্মচাৰী অৰ্থত ৱৰ্ণ শব্দৰ পাচত ইনি হয়, যেনে— ৱৰ্ণী, ৱৰ্ণবান।

৪। **পুষ্কৰাদিভ্যো দেশে**

ঠাই বা দেশ বুজাবলৈ পুষ্কৰ প্ৰভৃতি কিছুমান শব্দৰ উত্তৰ ইনি হয় আৰু এই শব্দবোৰ তেতিয়া স্ত্ৰীলিঙ্গ হয়। যেনে— পুষ্কৰাণি (পদুম ফুল, পানী) অস্যাং সন্তি— পুষ্কৰিণী।

৫। **অৰ্থাৎ যাচকে**

অৰ্থ শব্দৰ উত্তৰ যাচক (ভিক্ষুক) অৰ্থাৎ ইনি হয়। যেনে— অৰ্থী, কিন্তু অৰ্থবান্ (ধনবান্ অৰ্থে)।

### ত্ব, তল্

**ভাৱস্ত্ব-তলৌ**

তস্য ভাৱঃ ত্ব-তলৌ— ভাববোধক বিশেষ্য বুজাবলৈ প্ৰাতিপদিকৰ পাচত ত্ব, তল্ প্ৰত্যয় হয়। তল্ প্ৰত্যয়ৰ ক্ষেত্ৰত 'তা' হয়। তল্ প্ৰত্যয়ান্ত শব্দ আকাৰান্ত আৰু স্ত্ৰীলিঙ্গ, ত্ব প্ৰত্যয়ান্ত শব্দ ক্লীৱলিঙ্গ। যেনে— শুক্লস্য ভাৱঃ (শুক্ল + ত্ব + ১ম একবচন) শুক্লত্ব (ৰূপ 'মিত্ৰ' শব্দৰ ন্যায়) কিন্তু শুক্লতা (শুক্ল + তল্ — ১মা একবচন) (ৰূপ 'বালিকা' শব্দৰ ন্যায়, একেদৰে—

লঘু— লঘুত্বম্-লঘুতা; গুৰু-গুৰুত্বম্-গুৰুতা।

## নিষ্ঠা— ক্ত, ক্তবতু (Past Participles)

### ১। নিষ্ঠা (৩।২।১০২) / ক্তক্তৱতু নিষ্ঠা (১।১।২৬)

প্ৰধানতঃ কৰ্মবাচ্যত আৰু ভাৱবাচ্যত অতীতকাল বুজালে ধাতুৰ উত্তৰ ক্ত প্ৰত্যয় হয়। ক্তবতু প্ৰত্যয় অতীতকালতে কেৱলমাত্ৰ কৰ্ত্তৃবাচ্যে হয়। ক্ত আৰু ক্তবতু প্ৰত্যয়কেই নিষ্ঠা বোলে। যেনে— কৰ্মবাচ্যত— শ্ৰুতম্, পঠিতম্। ময়া গীতং শ্ৰুতম্, তেন মহাকাব্যং পঠিতম্। ভাৱবাচ্যত- স্নাতম্, হসিতম্। ত্বয়া নদ্যাং স্নাতম্, বালকেন বৃথা হসিতম্। কৰ্ত্তৃবাচ্যত- ক্তবতু- দৃষ্টবান্, শ্ৰুতবান্, দৃষ্টৱতী, শ্ৰুতৱতী, 'গত্যৰ্থাকৰ্মক-' ইত্যাদি সূত্ৰ অনুসাৰে কিছুমান ক্ষেত্ৰত কৰ্ত্তৃবাচ্যত ক্ত প্ৰত্যয় হয়। যেনে— স গ্ৰামং গতঃ।



### ২। **ৰদাভ্যাং নিষ্ঠাতো নঃ পূৰ্বস্য চ দঃ** (৮।২।৪২)

ৰদাভ্যাং পৰস্য নিষ্ঠাতস্য নঃ স্যাৎ নিষ্ঠা পেক্ষয়া পূৰ্বস্য ধাতোৰ্দস্য চ। ৰকাৰ আৰু দ-কাৰৰ পাচত ক্ত ক্তৱতু প্ৰত্যয়স্থিত ত-কাৰ ন-কাৰ হয়। যেনে— শীৰ্ণঃ, বিস্তীৰ্ণঃ, জীৰ্ণঃ, জীৰ্ণবান্, ভিন্নঃ, ভিন্নবান্, ছিন্নঃ. চিন্নবান্। ক্ত-ক্তবতু প্ৰত্যয়স্থিত তকাৰ ন হ'লে ন হয়। যেনে— চৰিতম্, আ-ঋতঃ = আৰ্ত্তঃ।

### ৩। **নিৰ্বাণোঽবাতে** (৮।২।৫০)

বাত ভিন্ন শব্দৰ পৰবৰ্তী নিৰ্-পূৰ্বক বা-ধাতুৰ পৰবৰ্তী ক্ত আৰু ক্তবতু প্ৰত্যয়স্থিত ত-কাৰৰ ঠাইত ন-কাৰ হয়। যেনে— নিৰ্বাণঃ প্ৰদীপঃ, নিৰ্বাণোহগ্নিঃ, নিৰ্বাণো ভিক্ষুঃ। বাত- শব্দৰ বিশেষণ হ'লে নহয়। যেনে— নিৰ্বাতোবাতঃ। নিৰ্বাণঃ প্ৰদীপো বাতেন— ইয়াতে 'বাত' কৰণ মাত্ৰ। নিৰ্বাণদীপে কিমু তৈলদানম্।

### ৪। **ভিত্তং শকলম্** (৪।২।৫৯)

খণ্ড অৰ্থে ভিদ্ ধাতুৰ উত্তৰ ক্ত প্ৰত্যয়ে ভিত্ত হয়। অন্যত্ৰ ভিন্ন হয়।

### ৫। **ঋণম্ আধমৰ্ণ্যে** (৮।২।৬০)

ঋণম্ আধমৰ্ণ্য (ধাৰ-debt) বুজাইলে ঋ-ধাতুৰ পৰ ত স্থানত ন হয়। ঋণ। অন্যত্ৰ ঋত (= গত, gone), ভাবে ঋতং সত্যম্।

### ৬। **শুষঃ কঃ** (৮।২।৫১)

শুষ্ ধাতুৰ পৰবৰ্তী ক্ত ক্তবতু প্ৰত্যয়স্থিত ত-কাৰ ক-কাৰ হয়। যেনে— পক্কঃ।

### ৭। **দ্যতি-স্যতি-মা-স্থাম্ ইৎতি কিতি** (৭।৪।৪০)

ক-ইৎ তকাৰাদি প্ৰত্যয় পিছত থাকিলে দো, সো, মা আৰু স্থা ধাতুৰ অন্ত্যস্বৰবৰ্ণৰ ঠাইত ইকাৰ হয়। যেনে— দো-দিতঃ, সো-সিতঃ, অবসিতঃ, মা-মিতঃ, পৰিমিতঃ, স্থা-স্থিতঃ, প্ৰতিষ্ঠিতঃ (ক্তিন্— স্থিতিঃ)।

৮। **পচো বঃ (৮।২।৫২)**

পচ্ ধাতুৰ পৰবৰ্তী ক্ত ক্তবতু প্ৰত্যয়স্থিত ত-কাৰ ব-কাৰ হয়। যেনে— পক্কঃ।

৯। **শাচ্ছোৰন্যতৰম্যাম্ (৭।৪।৪১)**

শো-ধাতুৰও বিকল্পত ই হয়, পক্ষে আ-কাৰ হয়। শিতঃ, শাতঃ; নিশিতঃ, নিশাতঃ।

১০। **দধোতের্হিঃ (৭।৪।৪২)**

ধা ধাতুৰ ঠাইত হি আদেশ হয়। ধা + ক্ত = হিতঃ, বিহিতঃ (বি + ধা+ ক্ত)।

১১। **দো দদ্ ঘোঃ, অচ্ উপসৰ্গাৎ তঃ (৭।৪।৪৬, ৪৭)**

ক-ইৎ তকাৰাদি প্ৰত্যয় পিচত থাকিলে, ঘু সংজ্ঞক দা-ধাতুৰ ঠাইত দদ্ আদেশ হয়; কিন্তু স্বৰান্ত উপসৰ্গ পূৰ্বত থাকিলে 'ত' আদেশ হয়। দা + ক্ত = দত্তঃ, ক্তবতু-দত্তবান্ (ক্ত্বাচ্-দত্ত্বা) কিন্তু আ + দা + ক্ত = আত্তঃ, ক্তবতু-আত্তবান্। অবদত্ত, প্ৰদত্ত, বিদত্ত প্ৰকৃতি আদিকৰ্মণি।

১২। **আদি-কৰ্মণি ক্তঃ কৰ্তৰি চ (৩।৪।৭১)**

ক্ৰিয়াৰ আৰম্ভ অৰ্থে ধাতুৰ পিচত কৰ্ত্তৃবাচ্যত, কৰ্মবাচ্যত আৰু ভাৱবাচ্যত ক্ত প্ৰত্যয় হয়। ইয়াতে কৰ্মশব্দ ক্ৰিয়া-ব্যাপ্যবাচক আৰু ক্ৰিয়াবাচক। যেনে— স পাঠং প্ৰকৃতঃ (পঠিতুম্ আৰব্ধবান্ ইত্যৰ্থঃ), তেন পাঠঃ প্ৰকৃতঃ (পঠিতুং আৰব্ধঃ)। ইয়াতে প্ৰ-শব্দ আদি কৰ্মদ্যাতক, কেতিয়াবা কেতিয়াবা প্ৰ-শব্দৰ অভাৱেও আদি কৰ্মৰ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে— ৰাম ওদনং ভুক্তঃ, ৰামেণ ওদনং ভুক্তম্। ভাৱবাচ্যত- ৰামেণ প্ৰকৃতম্।

১৩। **অদো জগ্ধিৰ্ল্যপ্তিকিতি (২।৪।৩৬)**

ল্যপ্ প্ৰত্যয় পিচত থাকিলে আৰু তকাৰাদি কিৎ প্ৰত্যয় পিচত থাকিলে অদ্ধাতু স্থানে জগ্ধি আদেশ হয়। জগ্ধিৰ ই-কাৰ উচ্চাৰণৰ সুবিধাৰ্থে ব্যবহৃত হৈছে। যেনে— অদ্ + ক্ত = জগ্ধম্, অদ্ + ক্ত্বাচ্ = জগ্ধা, অদ্ + ক্তবতু = জগ্ধৱান্।



১৪। **মতিবুদ্ধিপূজাৰ্থেভ্যশ্চ (৩।১।১৮৮)**

ইয়াতে 'মতি' শব্দৰ অৰ্থ ইচ্ছা। ইচ্ছাৰ্থক-ধাতু, বোধাৰ্থক ধাতু আৰু পূজাৰ্থক ধাতুৰ পিচত বৰ্তমানকালে ক্ত প্ৰত্যয় হয়। যথা- ৰাজ্ঞাং মতঃ (ইষ্ট ইত্যৰ্মঃ), ৰাজভিৰিষ্যমান ইত্যৰ্থঃ, ৰাজ্ঞাং বুদ্ধঃ, মতাং বিদিতঃ, সতাং জ্ঞাতঃ। এই সকলো ক্ষেত্ৰত 'ক্তস্য চ বৰ্ত্তমানে' এই সূত্ৰানুসাৰে কৰ্ত্তৰি ষষ্ঠী বিভক্তি হয়। অতীতকালে ক্ত প্ৰত্যয় হ'লে অনুক্ত কৰ্তাত তৃতীয়া হয়। যেনে— ময়া জ্ঞাতম্; তেন অৰ্চিতঃ, সদ্ভি পূজিতঃ।

১৫। **নপুংসকে ভাৱে ক্ত (৩।৩।১১৪)**

সৰ্বপ্ৰকাৰ কালে অৰ্থাৎ বৰ্ত্তমান কালে, অতীতকালে আৰু ভৱিষ্যৎ কালে ধাতুৰ উত্তৰ ক্ত প্ৰত্যয় হয়। সেইটো ক্ত প্ৰত্যয়ান্ত শব্দ ক্লীবলিঙ্গ হয়। যেনে— বিশেষ্যে- শিশোঃ শয়িতম্ (শয়নমিত্যৰ্থঃ), বালকস্য হাসিতম্, তেষাং জল্পিতম্। ক্ৰিয়াতেতেন কৃতম্, ময়া জ্ঞাতম্, ভুক্তম্ ইত্যাদি।

কৰ্মবাচ্যত অথবা ভাৱবাচ্যত ক্ত প্ৰত্যয় থাকিলে, কৰ্ত্তৃবাচ্যত পৰিবৰ্তন কৰিবৰ বাবে ইয়াৰ উত্তৰ ক্তবতু কৰিব লাগে। যেনে— বালকৈঃ সাধুঃ পূজিতঃ — বালকাঃ সাধুং পূজিতবন্তঃ; স্ত্ৰীভিঃ হসিতম্-স্ত্ৰিয়ঃ হসিতবত্যঃ।

## তুমুন্ প্ৰত্যয়

১। **তুমন্ণ্বুলৌ ক্ৰিয়ায়াং ক্ৰিয়াৰ্থায়াম্ (৩।৩।১০)**

ক্ৰিয়াৰ্থায়াং ক্ৰিয়ায়ামুপপদে ভৱিষ্যতে অৰ্থে ধাতোৰেতৌ স্তঃ।। মান্তত্বাদব্যয়ত্বম্। ক্ৰিয়াৰ্থক ক্ৰিয়া উপপদ থাকিলে ধাতুৰ উত্তৰ তুমুন্ আৰু ণ্বুল্ প্ৰত্যয় হয় ভৱিষ্যৎ অৰ্থত। যেনে— চন্দ্ৰং দ্ৰষ্টুং যাতি। চন্দ্ৰং দৰ্শকোযাতি।

২। **সমান-কৰ্তৃকেষু তুমুন্**

তুমুন্ প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়া আৰু বাক্যৰ সমাপিকা ক্ৰিয়া দুয়োটাৰে কৰ্তা একেটা হ'ব লাগে। বেলেগ কৰ্তা যদি হয় তেনেহ'লে তুমুন্ প্ৰত্যয় নহয়। ক্ৰিয়াৰ কৰ্ত একে হ'লে নিমিত্ত বোধক ধাতুৰ পাচত তুমুন্

প্ৰত্যয় হয়। তুমুন্ প্ৰত্যয়ৰ 'তুম্' থাকে। তুমুন্ প্ৰত্যয়ান্ত শব্দবিলাক অব্যয় আৰু অসমাপিকা ক্ৰিয়া। যেনে, অসমীয়াত কৰিবলৈ, খাবলৈ, যাবলৈ, কৰিবৰ নিমিত্তে, খাবৰ কাৰণে— এইবোৰ অসমাপিকা ক্ৰিয়াৰ ঠাইত সংস্কৃতত তুমুন্ প্ৰত্যয়ান্ত ক্ৰিয়া ব্যৱহাৰ কৰিব পাৰি। যেনে— কৰিবলৈ — √কৃ + তুমুন্ = কৰ্ত্তুম্, খাবৰ নিমিত্তে অথবা খাবলৈ — √খাদ্ + তুমুন্ = খাদিতুম্, যাবৰ কাৰণে— গম্ + তুমুন্ = গন্তুম্, পঢ়িবলৈ— পঠ + তুমুন্ = পঠিতম্, শুনিবলৈ— শ্ৰু + তুমুন্ = শ্ৰোতুম্ ইত্যাদি।

৩। **কালসময়বেলাসু তুমুন্ (৩।৩।১৬৭)**

কালৰ্থেষ উপপদেযু তুমুন্ স্যাৎ। কাল, সময় আৰু বেলা ইত্যাদি সময় বুজাবলৈ তুমুন্ প্ৰত্যয় ব্যবহৃত হয়। যেনে— কালঃ সময়ো ৱেলাৰা ভোক্তুম্। যেনে— এয়ে পঢ়িবৰ সময়— কালোহয়ং পঠিতুম্। এয়ে যাবৰ সময়— গন্তুম্ সময়োহয়ম্। এয়ে শুবৰ সময়— শয়িতুং বেলা ইয়ম্।

৪। **তুমৰ্থাচ্চ ভাৱবচনাৎ**

সংস্কৃত কিছুমান ধাতুৰ উত্তৰ তুমুন্ প্ৰত্যয় ব্যৱহাৰ নকৰি সেই ক্ৰিয়াৰ পৰা ক্ৰিয়াবাচক বিশেষ্য পদ কৰি তাতে চতুৰ্থী বিভক্তিও ব্যৱহাৰ কৰিব পাৰি। যেনে— 'পঠিতুম্ গচ্ছতি' ইয়াত 'পঠিতুম'ৰ ঠাইত (পঠ্ + অনট্ = পঠন + ৪ৰ্থী = পঠনায়) — পঠনায় গচ্ছতি, এইদৰে লিখিব পাৰি।

।। ইতি কৃদন্ত কৃত্য প্ৰকৰণম্।।



# অথ কাৰকপ্ৰকৰণম্

**প্ৰাতিপদিকাৰ্থলিঙ্গ পৰিমাণৰচনমাত্ৰে প্ৰথমা (২।৩।৪৫)**

নিয়তোপস্থিতিকঃ প্ৰাতিপদিকাৰ্থঃ। মাত্ৰশব্দস্য প্ৰত্যেকং যোগঃ। প্ৰাতিপাদিকাৰ্থমাত্ৰে লিঙ্গমাত্ৰাদ্যধিক্যে পৰিমাণ মাত্ৰে সংখ্যামাত্ৰে চ প্ৰথমা স্যাৎ। প্ৰাতিপদিকাৰ্থ বুজালে, লিঙ্গমাত্ৰাৰ অধিকতাত, পৰিমাণ মাত্ৰত অথবা সংখ্যা মাত্ৰ বুজালে প্ৰথমা বিভক্তি হয়।

(নিয়তোপস্থিতিকস্তাবৎ-নিয়তা-ব্যাপিকা, উপস্থিতিৰ্যস্য সনিয়তোপস্থিতিকঃ। যস্মিন্ প্ৰাতিপদিকে উচ্চাৰিতে যস্যাৰ্থস্য নিয়মেনোপস্থিতিঃ স নিয়তোপস্থিতিকঃ)। উদাহৰণ যেনে— প্ৰাতিপদিকাৰ্থমাত্ৰে— উচ্চৈঃ, নীচৈঃ, কৃষ্ণঃ, শ্ৰীঃ, জ্ঞানম্। লিঙ্গমাত্ৰে— তটঃ, তটা, তটম্। পৰিমাণমাত্ৰে দ্ৰোণো ব্ৰীহিঃ। ৰচনং সংখ্যা। একঃ, দ্বৌ, বহবঃ।

**সম্বোধনে চ (২।৩।৪৭)**

প্ৰথমা স্যাৎ। অৰ্থাৎ সম্বোধন বুজালে প্ৰথমা বিভক্তি হয়। হে ৰাম।

**ইতি প্ৰথমা**

**কৰ্ত্তুৰীপ্সিততমং কৰ্ম (১।৪।৪৯)**

কৰ্ত্তুঃ ক্ৰিয়য়া আপ্তুমিষ্ঠতমং কাৰকং কৰ্ম সংজ্ঞং স্যাৎ। কৰ্তাৰ ক্ৰিয়াৰ দ্বাৰা পাবলৈ অতিশয় ইপ্সিত বা ইষ্ট যি কাৰক তাক কৰ্ম বোলে।

**কৰ্মণিদ্বিতীয়া (২।৩।২)**

অনুক্তে কৰ্মণি দ্বিতীয়া স্যাৎ। অনুক্ত কৰ্মত দ্বিতীয়া বিভক্তি হয়। হৰিং ভজতি। অভিহিতে তু কৰ্মাদৌ প্ৰথমা— হৰিঃ সেব্যতে। লক্ষ্মা সেবিতঃ।

**অকথিতঞ্চ (১।৪।৫১)**

অপাদানাদি ৰিশেষৈৰবিৰাক্ষিতং কাৰকং কৰ্মসংজ্ঞং স্যাৎ। অপাদানাদি বিশেষ কাৰক দ্বাৰা অৱিৱক্ষিত যি কাৰক তাক কৰ্ম বোলে।

**দুহ্যাচ্পচ্দণ্ড ৰুধিপ্ৰচ্ছিবিব্ৰুশাসুজিমথ্মুষাম্।**
**কৰ্মযুক্ স্যাদকথিতং তথা স্যান্নীহৃকৃষ্ৱহাম্।**

১। দুহ্প্ৰপূৰণে, ২। টুযাচ্যাঞ্চায়াম্, ৩। ডুপপচ্ পাকে, ৪। দণ্ড-নিপাতনে, ৫। ৰুধিৰ আৱৰণে, ৬। প্ৰচ্ছজ্ঞীপ্সায়াম্, ৭। চিঞ্চয়নে, ৮। ব্ৰুঞ্ব্যক্তয়াং বাচি, ৯। শাসু অনুশিষ্টৌ, ১০। জিঅভিভবে, ১১। মন্থ বিলোড়নে, ১২। মুষস্তেয়ে, ১৩। নীঞ্প্ৰাপনে, ১৪। হৃঞ্হৰণে, ১৫। কৃষ বিলেখনে পণে, ১৬। বহ্প্ৰাপণে।

এইবিলাক ধাতু কৰ্মৰ লগতে যুক্ত হ'লে সিহঁতক অকথিত কৰ্ম বুলি কোৱা হয়।

গাং দোগ্ধি পয়ঃ। ৰলিংযাচতে বসুধাম্। অৱিনীতং ৰিনয়ং যাচতে, তণ্ডুলানোদনংপচতি। গৰ্গান্ শতং দণ্ডয়তি। ব্ৰজমবৰুণদ্ধিগাম্। মানৱকং পন্থানং পৃচ্ছতি। বৃক্ষমৱচিনোতি ফলানি। মানৱকং ধৰ্মং ব্ৰূতে শাস্তিৱা। শতং জয়তি দেৱদত্তং। সুধাং ক্ষীৰনিধিং মন্নাতি। দেৱদত্তং শতং মুষ্ণাতি। গ্ৰামমজাং নয়তি হৰতি কৰ্ষতি ৱহতি ৱা। অৰ্থনিবন্ধনেয়ং সংজ্ঞা। অৰ্থাৎ দুহাদি ধাতু গত যি অৰ্থ, আন্ ধাতুৰ সেই অৰ্থ হ'লে দ্বিকৰ্মক হ'ব। যেনে ৰলিং ভিক্ষতে ৰসুধাম্। মানৱকং ধৰ্মং ভাষতে, অভিধত্তে, বক্তীত্যাদি ইতি দ্বিতীয়া।

**স্বতন্ত্ৰঃ কৰ্ত্তা ১।৪।৫৪।**

ক্ৰিয়ায়াং স্বাতন্ত্ৰ্যেণ ৰিৱক্ষিতোঽৰ্থঃ কৰ্ত্তা স্যাৎ। ক্ৰিয়াত স্বতন্ত্ৰতা দ্বাৰা যি অৰ্থ বিবক্ষিত হয় বা কোৱা হয় তাৰ কৰ্ত্তৃ সংজ্ঞা হয়।

(অৰ্থাৎ ক্ৰিয়া সম্পাদনা কৰাৰ কাৰণে যিয়ে ভাবে বিবক্ষিত হয়, সেই কৰ্ত্তৃ সংজ্ঞা হয়। ক্ৰিয়া সম্পাদকঃ কৰ্ত্তা।)



কিন্তাবৎ কাৰকম্? সাক্ষাত ক্ৰিয়াজনকত্বং কাৰকত্বম্ ষট্ কাৰকানি তদ্ যথা—

**কৰ্ত্তা কৰ্মচ কৰণং সম্প্ৰদানং তথৈবচ**
**অপাদানাধিকৰণে ইত্যাহুঃ কাৰকাণিষট্।।**

**সাধকতমং কৰণম্ (১।৪।৪২)**

ক্ৰিয়াসিদ্ধৌ প্ৰকৃষ্টোপকাৰকং কাৰকং কৰণ সংজ্ঞং স্যাৎ। ক্ৰিয়া সম্পাদনৰ বাবে যি অতিশয় উপকাৰী কাৰক তাক কৰণ বোলে।

**কৰ্ত্তৃকৰণয়োস্তৃতীয়া (২।৩।১৮)**

অনভিহিতে কৰ্তাৰি কৰণে চ তৃতীয়া স্যাৎ। অনুক্ত কৰ্ত্তা আৰু কৰণত তৃতীয়া বিভক্তি হয়। ৰামেণ ৰাণেন হতো ৱালী। ইতি তৃতীয়া।

**কৰ্মণা যমভিপ্ৰৈতি স সম্প্ৰদানম্ (১।৪।৩২)**

দানস্য কৰ্মণা যমভিপ্ৰৈতি স সম্প্ৰদান সংজ্ঞং স্যাৎ। দানৰ কৰ্মদ্বাৰা যাক দান দিবলৈ ইচ্ছা কৰে তাক সম্প্ৰদান বোলে।

**চতুৰ্থী সম্প্ৰদানে (২।৩।১৩)**

সম্প্ৰদান কাৰণে চতুৰ্থী বিভক্তি স্যাৎ। স্বত্ব ত্যাগ কৰি দান কৰিলে তাত সম্প্ৰদান কাৰকে চতুৰ্থী বিভক্তি হয়। যেনে— বিপ্ৰায় গাং দদাতি।

**নমঃ স্বস্তিস্বাহাস্বধালংৱষড়্যোগাচ্চ (২।৩।১৬)**

এভিৰ্যোগে চতুৰ্থী স্যাৎ। নমঃ, স্বস্তি স্বাহা, স্বধা, অলং আৰু বষট্ শব্দৰ যোগত চতুৰ্থী বিভক্তি হয়। হৰয়ে নমঃ। প্ৰজাভ্যঃ স্বস্তি। অগ্নয়ে স্বাহা, পিতৃভ্যঃ স্বধা। অলমিতি পৰ্য্যাপ্ত্যৰ্থ গ্ৰহণম্। তেন দৈত্যেভ্যো হৰিৰলং প্ৰভুঃ সমৰ্থঃ শক্ত ইত্যাদি। ইতি চতুৰ্থী।

**ধ্ৰুৱমপায়েঽপাদানম্ (১।৪।২৪)**

অপায়ো বিশ্লেষঃ তস্মিন্ সাধ্যে যদ্ ধ্ৰুৱমৱাধিভূতং কাৰকং তদপাদানং স্যাৎ। স্থিৰ বস্তুৰ পৰা কোন বস্তুৰ বিশ্লেষ বা বিচ্যুতি অথবা অপায় ঘটিলে স্থিৰ বস্তুতে অপাদান কাৰক হয়। যেনে— বৃক্ষাৎ পত্ৰং পততি। ধাৱতো অশ্বাৎ পততি।

**অপাদানে পঞ্চমী (২।৩।২৮)**

অপাদানে পঞ্চমী স্যাৎ। অপাদান কাৰক বুজালে পঞ্চমী বিভক্তি হয়। যেনে— গ্রামাদায়াতি। ধাৱতোঽশ্বাৎ পততীত্যাদি। ইতি পঞ্চমী।

**ষষ্ঠী শেষে (২।৩।৫০)**

কাৰক প্রাতিপদিকার্থব্যতিৰিক্তঃ স্বস্বামি ভাৱাদি সম্বন্ধঃ শেষস্তত্র ষষ্ঠী স্যাৎ। কাৰক আৰু প্রাতিপদিকার্থতকৈ ভিন্ন যি স্বস্বামি (জন্য জনক ভাবাদি) সম্বন্ধ তাকে শেষ বোলে। উক্ত শেষত ষষ্ঠী বিভক্তি হয়। ৰাজ্ঞঃ পুৰুষঃ। কর্মাদীনামপি সম্বন্ধমাত্র বিবক্ষায়াং ষষ্ঠ্যেব। যেনে— সগংগতম্। সর্পিযো জানীতে। মাতুঃ স্মৰতি। এধোদকস্যোপস্কুৰুতে। ভজে শম্ভোশ্চৰণয়োঃ।

**আধাৰোঽধিকৰণম্ (১।৪।৪৫)**

কর্তৃকর্মদ্বাৰা তন্নিষ্ঠ ক্রিয়ায়া আধাৰঃ কাৰকম্ অধিকৰণং স্যাৎ। কর্তা আৰু কর্মৰ দ্বাৰা যি কর্তৃকর্মনিষ্ঠা ক্রিয়াৰ যি আধাৰ কাৰক তাক অধিকৰণ কাৰক বোলে।

**সপ্তম্যধিকৰণেচ (২।৩।৩৬)**

অধিকৰণে সপ্তমী স্যাৎ। অনুক্ত অধিকৰণত সপ্তমী বিভক্তি হয়। চকাৰাদ্ দূৰান্তিকার্থেভ্যঃ ঔপশ্লেষিকো বৈষয়িকোঽভিব্যাপকশ্চ ইত্যাদিস্ত্রিধা। সূত্রত 'চ' কাৰ থকা হেতুকে দূৰার্থক আৰু অন্তিকার্থক শব্দত সপ্তমী বিভক্তি হ'ব। যেনে কটে আস্তে। স্থাল্যাং পচতি। মোক্ষে ইচ্চাস্তি। সর্ৱাস্মিন্নাত্মাস্তি। ৱনস্য দূৰে অন্তিকেৱা। ইতি সপ্তমী।

।। ইতি কাৰক প্রকৰণম্।।



# অথ সমাসপ্রকৰণম্

**তত্রাদৌ কেৱল সমাস ঃ**

সমাসঃ পঞ্চধা। তত্র সমসনং সমাসঃ। সচ বিশেষ সংজ্ঞা ৱিনির্মুক্তঃ কেৱল সমাসঃ প্রথমঃ। ১। প্রায়েণ পূর্ৱ পদার্থ প্রধানোঽব্যয়ী ভাৱো দ্বিতীয়ঃ। ২। প্রায়েণোত্তৰ পদার্থ প্রধানস্তৎপুৰুষঃ। ৩। তৎ পুৰুষ ভেদঃ কর্মধাৰয়ঃ। কর্মধাৰয় ভেদো দ্বিগুঃ। প্রায়েণান্য পদার্থ প্রধানো বহুব্রীহিশ্চতুর্থঃ। ৪। প্রায়েণোভয় পদার্থ প্রধানো দ্বন্দ্বঃ পঞ্চম।

সমাস পাঁচ প্রকাৰ— ১। কেৱল সমাস, ২। অব্যয়ী ভাৱ সমাস, ৩। তৎপুৰুষ সমাস, ৪। বহুব্রীহি সমাস, ৫। দ্বন্দ্ব সমাস। (একার্থৱাচকতাং প্রাপ্তো ভিন্নার্থকানেক পদ সমূহ সমাসঃ) দুটা বা অধিক পদৰ একপদী কৰণক সমাস বোলে। বিশেষ অর্থাৎ তৎপুৰুষ, অব্যয়ভাৱাদি বিশেষ সংজ্ঞা ৰহিত যি সমাস, তাক কেৱল সমাস বোলে। ১। যি সমাসত প্রায় পূর্ব পদার্থই প্রধান, তাক অব্যয়ীভাৱ সমাস বোলে। ২। যি সমাসত প্রায় উত্তৰ পদার্থই প্রধান তা তৎপুৰুষ সমাস বোলে। ৩। ৪। যি সমাসত আন পদার্থই প্রধান তাক বহুব্রীহি সমাস বোলে। ৫। যি সমাসত উভয় পদার্থই প্রধান তাক দ্বন্দ্ব সমাস বোলে।

**সমর্থঃ পদ বিধিঃ (২।১।১)**

পদসম্বন্ধী যো বিধিঃ স সমর্থাশ্রিতো বোধ্যঃ। পদসম্বন্ধী যি বিধি সেইটো সমর্থাশ্রিত বা সমাস হয়।

**প্রাক্কড়াৰাৎ সমাসঃ (২।১।৩)**

"কড়াৰাঃ কর্মধাৰয়ে" ইত্যতঃ প্রাক্ সমাস ইত্যাধিক্রিয়তে।

"কড়াৰাঃ কর্মধাৰয়ে" এই সূত্রৰ পূর্ৱলৈকে সমাসৰ অধিকাৰ হ'ব।

**সহসুপা (২।১।৪)**

সুপ্ সুপাসহ বা সমস্যতে সমর্থ সুবন্তৰ সৈতে সুবন্ত পদৰ বিকল্পে সমাস হয়। সমাসান্তাৎ প্ৰতিপদিকাত্বেন সুপোলুক্। পৰাৰ্থাভিধানং বৃত্তিঃ। কৃত্তাদ্ধিত সমাসৈকশেৰ সনাদ্যন্ত ধাতুৰূপাঃ পঞ্চবৃত্তয়ঃ। বৃত্ত্যৰ্থাৱবোধকংৱাক্যং বিগ্ৰহঃ। স চ লৌকিকো অলৌকিকশ্চেতি দ্বিধা।

তত্ৰ পূৰ্বং ভূত ইতি লৌকিকঃ। পূৰ্ব অম্ ভূত সু ইত্যলৌকিকঃ। ভূত পূৰ্বঃ। যিয়ে পৰৰ অৰ্থক বুঝায়, তাক বৃত্তি বোলে। সেই বৃত্তি পাঁচ প্ৰকাৰৰ যেনে— কৃৎ, তদ্ধিত, সমাস, একশেষ আৰু সনাদ্যন্ত ধাতুৰূপ। বৃত্তিৰ অৰ্থবোধক বাক্যক বিগ্ৰহ বোলে। সেই বিগ্ৰহ লৌকিক আৰু অলৌকিক ভেদে দুই প্ৰকাৰৰ। "ভূত পূৰ্বে চৰদিতি নিৰ্দেশাৎ ভূত শব্দস্য পূৰ্ব নিপাতঃ", ইৱেন সমাসো ৰিভক্ত্যলোপশ্চ। ইব শব্দৰ সৈতে সমাস হয়, কিন্তু বিভক্তিৰ লোপ নহয়। ৱাগৰ্থৌ ইৱ ৱাগৰ্থাবিব।।

।। ইতি কেৱল সমাসঃ।।



# অথ অব্যয়ীভাৱ সমাসঃ

**অব্যয়ীভাৱঃ (২।১।৫)**

অধিকাৰোহয়ং প্ৰাক্ তৎপুৰুষাৎ। তৎপুৰুষ সমাসৰ পূৰ্বলৈকে অব্যয়ীভাব সমাসৰ অধিকাৰ হ'ব।

অব্যয়ং ৰিভক্তি সমীপ সমৃদ্ধি বৃদ্ধ্যৰ্থভাৱাত্যয়াসম্প্ৰতি শব্দপ্ৰাদুৰ্ভাৱ পশ্চাদ্ যথানুপূৰ্ব্যযৌগপদ্যসাদৃশ্যসম্পত্তিসাফল্যান্তৱচনেযু (২।১।৬)। ৰিভক্ত্যৰ্থাদিষু ৱৰ্তমানমব্যয়ং সুবন্তেনসহ নিত্যং সমস্যতে সোঽব্যয়ীভাৱঃ। প্ৰায়েণাৱিগ্ৰহো নিত্যসমাসঃ। প্ৰায়েণাস্বপদ বিগ্ৰহো ৱা।

বিভক্তি, সমীপ, সমৃদ্ধি, বৃদহ্যৰ্থ, অভাব, অত্যয়, অসম্প্ৰতি, শব্দ, প্ৰাদুৰ্ভাব, পশ্চাৎ, যথা— অৰ্থাৎ যোগ্যতা, বীপ্সা, পদাৰ্থ, অনতি বৃত্তি, সাদৃশ্য, আনুপূৰ্ব্য, যুগপৎ, সাদৃশ্য, সম্পত্তি, সাফল্য আৰু অন্ত অৰ্থত বৰ্তমান যি অব্যয় তাৰ সুৱন্ত পদৰ সৈতে সমাস হয় আৰু সেই সমাস অব্যয়ীভাৱ হয়। ৰিভক্তৌ হৰিঙি অধি ইতি স্থিতে।

**প্ৰথমানিৰ্দিষ্টং সমাস উপসৰ্জনম্ (১।২।৪৩)**

সমাস শাস্ত্ৰে প্ৰথমানিৰ্দিষ্টম্ সমাস উপসৰ্জন সংজ্ঞং স্যাৎ। সমাস ঘটক সূত্ৰত প্ৰথমানিৰ্দিষ্ট যি পদ তাৰ উপসৰ্জন সংজ্ঞা হয়। (অব্যয়ং বিভক্তি ইত্যাদি সূত্ৰত প্ৰথমান্ত অব্যয় পদ অধি, গতিকে ইয়াৰ উপসৰ্জন সংজ্ঞা হ'ব, হৰিৰ নহয়।

**উপসৰ্জনং পূৰ্বম্ (২।২।৩০)**

সমাসে উপসৰ্জনং প্ৰাক্ প্ৰয়োজনম্। ইত্যধেঃ প্ৰাক প্ৰয়োগঃ। সমাসত

উপসৰ্জন সংজ্ঞকৰ পূৰ্বত প্ৰয়োগ হয়। সুপোলুক্ একদেশৰিকৃতস্যানন্যত্বাৎ প্ৰাতিপদিক সংজ্ঞায়াং স্বাদ্যুৎপত্তিঃ। অব্যয়ীভাৱশ্চেত্যব্যয়ত্বাৎ সুপোলুক্। অধিহৰি।

**অব্যয়ীভাৱশ্চ (২।৪।১৮)**

অয়ং নপুংসকং স্যাৎ। অব্যয়ীভাৱ সমাস নপুংসক লিঙ্গ হয়।

**নাব্যয়ীভাৱাদতোঽম্ত্বপঞ্চম্যাঃ (২।৪।৮৩)**

অদন্তাদব্যয়ীভাবাৎ সুপোনলুক্ তস্য পঞ্চমীং বিনা অমাদেশশ্চ স্যাৎ। অদন্ত অব্যয়ীভাৱ সমাসৰ পৰা সুপৰ লোপ নহয়। কিন্তু পঞ্চমী বিভক্তিৰ বাদে আন বিভক্তিৰ ঠাইত অম্ আদেশ হয়। গাঃ পাতীতি গোপঃ তস্মিন্ ইতি অধিগোপম্।

**তৃতীয়াসপ্তম্যোধস্থলম্ (২।৪।২৪)**

অদন্তাদব্যয়ীভাবাৎ তৃতীয়া সপ্তম্যোৰ্বহুলমমভাবঃ স্যাৎ। অদন্ত অব্যয়ীভাব সমাসৰ পাচত থকা যি তৃতীয়া আৰু সপ্তমী বিভক্তি তাৰ ঠাইত বহুল প্ৰকাৰত বিকল্পে অম্ভাৱ হয়। যেনে— অধিগোপম্, অধিগোপেন, অধিগোপে বা। কৃষ্ণস্য সমীপম্-উপকৃষ্ণম্। মদ্ৰাণাং সমৃদ্ধিঃ সমুদ্ৰম্। যবনানাং বৃদ্ধিঃ দুৰ্যবনম্। মক্ষিকাণামভাবো নিৰ্মক্ষিকম্। হিমস্যাত্যেয়োঅতিহিমম্। নিদ্ৰা সম্প্ৰতি ন যুজ্যতে ইতি অতিনিদ্ৰম্। হৰিশব্দস্য প্ৰকাশ ইতি হৰি বিষ্ণোঃ পশ্চাদনুধিষ্ণু। যোগ্যতাবীপ্সা পদাৰ্থান্ অতিবৃত্তি সাদৃশ্যানি যথাৰ্থাঃ ৰূপস্য যোগম্ অনুৰূপম্। অৰ্থমৰ্থং প্ৰতি প্ৰত্যৰ্থম্। শক্তিমনতিক্ৰম্য যথাশক্তি।

**অব্যয়ীভাবেচাকালে (৬।৩।৮১)**

সহস্য সঃ স্যাদব্যয়াভাবে নতুকালে। 'সহ' শব্দৰ ঠাইত 'স' আদেশ হয়, অব্যয়ীভাব সমাসত, কিন্তু কালবাচক হ'লে নহয়। হৰেঃ সাদৃশ্যং সহৰি। জ্যেষ্ঠস্যানুপূৰ্বেনেত্যনুপূৰ্বম্। চক্ৰেন যুগপৎ সচক্ৰম্। সদৃশঃ সখ্যা সসখি।



ক্ষত্ৰানাং সম্পত্তিঃ সক্ষত্ৰম্। তৃণমপি অপৰিত্যজ্য সতৃণমত্তি। অগ্নিগ্ৰন্থ পৰ্য্যন্তমধীতে সাগ্নি।

**নদীভিশ্চ (২।১।২০)**

নদীভিঃ সহ সংখ্যা সমস্যতে। নদীবাচক সুবন্ত পদৰ লগত সংখ্যাবাচক সমৰ্থসুবন্তৰ বিকল্পে সমাস হয়। সমাহাৰে চায়মিষ্যতে। এই নদীবাচক সমাস সমাহাৰ অৰ্থত হ'ব। পঞ্চগঙ্গম। দ্বিযমুনম্।

**তদ্ধিতা ঃ (৪।১।৭৬)**

আপঞ্চমসমাপ্তেৰধিকাৰোঽয়ম্। পঞ্চম অধ্যায় সমাপ্তি পৰ্যন্ত এই সূত্ৰৰ অধিকাৰ হ'ব।

**অব্যয়ীভাবেশৰৎপ্ৰভৃতিভ্য ঃ (৫।৪।১০৭)**

শৰদাদিভ্যষ্টচ্ স্যাৎ সমাসন্তোঽব্যয়ীভাবে। শৰদাদি শব্দৰ পৰা সমাসান্তত 'টচ্' প্ৰত্যয় হয়, অব্যয়ীভাব সমাসত। শৰদং সমীপম্ উপশৰদম্।

**জৰায়া জৰস্চ ঃ**

জৰা শব্দৰ ঠাইত জৰস্ আদেশ হয়, চ কাৰ যোগে টচ্ প্ৰত্যয়ো হয় অব্যয়ীভাৱ সমাসত। উপজৰসমিত্যাদি।

**অনশ্চ (৫।৪।১০৮)**

অন্নন্তাদব্যয়ীভাৱাৎ টচ্ স্যাৎ। অন্ অন্ত অব্যয়ীভাৱ সমাসৰ পৰা টচ্ প্ৰত্যয় হয়।

**নস্তদ্ধিতে (৬।৪।১৪৪)**

নান্তস্য ভস্য টেৰ্লোপস্তদ্ধিতে। নান্ত 'ভ' সংসংজ্ঞৰত যি টি তাৰ লোপ হয়, তদ্ধিত প্ৰত্যয় পিছত থাকিলে। উপৰাজম্, অধ্যাত্মন্।

**নপুংসকাদন্যতৰস্যাম্ (৫।৪।১০৯)**

অন্নন্তং যৎ ক্লীৰং তদন্তাদব্যয়ীভাৱট্টজ্ বা স্যাৎ। অনন্ত যি নপুংসক

তদন্ত যি অব্যয়ীভাৱ সমাস তাৰ পৰা বিকল্পে টচ্ প্ৰত্যয় হয়। উপচৰ্মম্। উপচৰ্ম।

**ঝয়ঃ (৫।৪।১১১)**

ঝয়ন্তাদব্যয়ীভাবাট্টজ্ৱা স্যাৎ। ঝয়ন্ত অব্যয়ীভাৱ সমাসৰ পৰা বিকল্পে টচ্ প্ৰত্যয় হয়। উপসমিধম্। উপসমিৎ।

।। ইতি অব্যয়ীভাব সমাসঃ।।



# অথ তৎপুৰুষ সমাসঃ

**তৎপুৰুষ (২।১।২২)**

অধিকাৰোঽয়ং প্ৰাক্ বহুব্ৰীহেঃ। বহুব্ৰীহি সমাসৰ পূৰ্বলৈকে তৎপুৰুষ সমাসৰ অধিকাৰ।

**দ্বিগুশ্চ (২।১।২৩)**

দ্বিগুৰপি তৎপুৰুষ সংজ্ঞকঃ স্যাৎ। দ্বিগু সমাসো তৎপুৰুষ সংজ্ঞক হয়।

**দ্বিতীয়াশ্ৰিতাতীত পতিত গতাত্যন্ত প্ৰাপ্তাপন্নৈঃ (২।১।১৪)**

দ্বিতীয়ান্তং শ্ৰিতাদি প্ৰকৃতিকৈঃ সুবন্তৈঃ সহ ৱা সমস্যতে সচ তৎপুৰুষ।। দ্বিতীয়ান্ত পদৰ শ্ৰিত, অতীত, পতিত, গত, অত্যন্ত প্ৰাপ্ত আৰু আপন্ন সুবন্ত পদৰ সৈতে বিকল্পে সমাস হয়, আৰু তাক তৎপুৰুষ বোলে। যেনে— কৃষ্ণং শ্ৰিতঃ — কৃষ্ণশ্ৰিত ইত্যাদি।

**তৃতীয়া তৎকৃতাৰ্থেগুণৱচনেন (২।১।৩০)**

তৃতীয়ান্তং তৃতীয়ান্তাৰ্থকৃত গুণৱচনেনাৰ্থেন চ সহ ৱা প্ৰাগ্ৱৎ। তৃতীয়ান্ত পদৰ তৃতীয়ান্তাৰ্থকৃত গুণৱাচক শব্দৰ সৈতে আৰু অৰ্থ শব্দৰ সৈতে সমাস হয় বিকল্পে। শঙ্কুলয়া খণ্ডঃ — শঙ্কুলাখণ্ডঃ। ধান্যেনাৰ্থো ধান্যাৰ্থঃ।। তৎ কৃতোতি কিম্? অক্ষ্ণাকাণঃ।

**কৰ্তৃকৰণে কৃতা বহুলম্ (২।১।৩২)**

কৰ্তাৰি কৰণে চ তৃতীয়া কৃদন্তেন বহুলং প্ৰাগ্ৱৎ। কৰ্তা আৰু কৰণত হোৱা তৃতীয়ান্ত পদৰ সৈতে কৃদন্ত পদৰ সমাস হয়। বহুল প্ৰকাৰে সেই তৎপুৰুষ সমাস হয়। যেনে— হৰিণাত্ৰাতো হৰিত্ৰাতঃ। নখৈৰ্ভিন্নো নখভিন্নঃ।

**চতুৰ্থী তদৰ্থাৰ্থবলিহিত সুখৰক্ষিতৈঃ (২।১।৩৬)**

চতুৰ্থ্যন্তাৰ্থায় যদ্ তদ্বাচিনা, অৰ্থাজ্জিদভিশ্চ চতুৰ্থ্যন্তং ৱা প্ৰাগ্ৱৎ।। চতুৰ্থীৰ অৰ্থৰ কাৰণে যি তদ্বাচক সমৰ্থ সুবন্তৰ সৈতে আৰু অৰ্থ, বলি, হিত, সুখ আৰু ৰক্ষিত সমৰ্থ সুবন্ত পদৰ সৈতে বিকল্পে চতুৰ্থন্ত পদৰ সমাস হয়। যূপায় দাৰু যূপদাৰু।

তদৰ্থেন প্ৰকৃতি বিকৃতি ভাৱ এৱেষ্টঃ তেনেহ ন ৰন্ধনায় স্থালি (বাৰ্ত্তিক)

অৰ্থেন নিত্যসমাসো ৱিশেষ্য লিঙ্গতা চেতি ৱক্তব্যম্।। (বাৰ্ত্তিক)

অৰ্থ শব্দৰ সৈতে যুক্ত হ'লে নিত্য সমাস হয়, আৰু বিশেষ্য শব্দৰ লিঙ্গ হয়। দ্বিজাৰ্থঃ সূপঃ। দ্বিজাৰ্থাযৱাগুঃ দ্বিজাৰ্থং পয়ঃ। ভূতৱলিঃ। গোহিতম্। গোসুখম্। গোৰক্ষিতম্।

**পঞ্চমীভয়েণ (২।১।৩৭)**

পঞ্চম্যন্তং ভয় শব্দেন সুবন্তেন সমস্যতে ইত্যৰ্থঃ। ভয় প্ৰকৃতিক সম অৰ্থ সুৱন্ত সৈতে পঞ্চম্যন্ত শব্দৰ বিকল্পে সমাস হয়। চোৰাদ্ ভয়ম্ চোৰভয়ম্।

**স্তোকান্তিকদূৰাৰ্থকৃচ্ছ্ৰানি ক্তেন (২।১।৩৯)**

স্তোক অন্তিক দূৰ এতদৰ্থকানি কৃচ্ছ এতানি পঞ্চম্যন্তানি ক্ত প্ৰত্যয়ান্তেন সমস্যত ইত্যৰ্থঃ। ক্ত প্ৰত্যয়ান্ত সমৰ্থ সুৱন্ত শব্দৰ সৈতে পঞ্চমী অৰ্থে ব্যবহৃত স্তোকাৰ্থক, অন্তিকাৰ্থক, দূৰাৰ্থক আৰু কৃচ্ছ্ৰ শব্দৰ তৎপুৰুষ সমাস হয়।

**পঞ্চম্যাঃ স্তোকাদিভ্যঃ (৬।৩।২)**

অলুক্ উত্তৰপদে। উত্তৰপদ পাচত থাকিলে স্তোকাদি শব্দৰ পাচত থকা পঞ্চমী বিভক্তিৰ লোপ নহয়। স্তোকান্মুক্তঃ। অন্তিকাদাগতঃ। অভ্যাসাদাগতঃ। দূৰাদাগতঃ। কৃচ্ছ্ৰাদাগতঃ।

**ষষ্ঠী (২।২।৮)**

ষষ্ঠ্যন্ত সুবন্তেন সমস্যতে স তৎপুৰুষঃ। সমৰ্থ সুবন্ত পদৰ সৈতে ষষ্ঠ্যন্ত পদৰ তৎপুৰুষ সমাস হয়। ৰাজপুৰুষঃ।।



**দিক্সংখ্যেসংজ্ঞায়াম্ (২।১।৫০)**

সংজ্ঞায়ামেৱেতি নিয়মাৰ্থং সূত্ৰম্। দিক্সংখ্যে সমানাধিকৰণেন সুবন্তেন সমস্যেতে স তৎপুৰুষ ইত্যৰ্থঃ। যেনে সপ্তৰ্ষয়ঃ। পঞ্চব্ৰাহ্মণাঃ।

**তদ্ধিতাৰ্থোত্তৰপদ সমাহাৰে চ (২।১।৫১)**

তদ্ধিতাৰ্থে বিষয়ে উত্তৰ পদে চ পৰতঃ সমাহাৰে ৱাচ্যে দিক্সংখ্যে প্ৰাগৱৎ। তদ্ধিতাৰ্থ বিষয়ত, সমাহাৰ অৰ্থত আৰু উত্তৰপদ পাচত থাকিলে দিক্বাচক আৰু সংখ্যাবাচক শব্দৰ বিকল্পে তৎপুৰুষ সমাস হয়।

**দ্বন্দ্ব তৎপুৰুষয়োৰুত্তৰ পদে নিত্য সমাস ৱচচনম্ (বাৰ্ত্তিক)**

উত্তৰ পদ পাচত থাকিলে দ্বন্দ্ব ও তৎপুৰুষৰ নিত্য সমাস হয়।

**গোৰতদ্ধিত লুকি (৫।৪।৯২)**

গোऽন্তাত্তৎপুৰুষাৎ টচ্ স্যাৎ সমাসান্তো, ন তু তদ্ধিত লুকি। যেনে পঞ্চগৱধনঃ।

**তৎপুৰুষঃ সমানাধিকৰণঃ কৰ্মধাৰয়ঃ (১।২।৪২)**

সমানাধিকৰণানেকপদাবয়বক তৎপুৰুষঃ কৰ্মধাৰয় সংজ্ঞকো ভৱতীত্যৰ্থঃ।

**সংখ্যাপূৰ্ৱোদ্বিগুঃ (২।১।৫২)**

তদ্ধিতাৰ্থেতত্ৰোক্তস্ত্ৰিবিধঃ সংখ্যা পূৰ্ৱো দ্বিগু সংজ্ঞঃ স্যাৎ। তদ্ধিতাৰ্থঃ উত্তৰপদ সমাহাৰে চ' এই সূত্ৰৰ দ্বাৰা বিহিত সংখ্যাপূৰ্বক সমাসকে দ্বিগু সমাস বোলে।

**দ্বিগুৰেকবচনম্ (২।৪।১)**

দ্বিগ্বৰ্থঃ সমাহাৰঃ একৱৎ স্যাৎ।

**স নপুংসকম্ (২।৪।১৭)**

সমাহাৰে দ্বিগুৰ্দ্বন্দশ্চ নপুংসকং স্যাৎ। যেনে— পঞ্চানাং গৱাং সমাহাৰঃ পঞ্চগৱম্।

**বিশেষণং ৱিশেষ্যেণ বহুলম্ (২।১।৫৭)**

ভেদকং সমানাধিকৰণেন ভেদ্যেন বহুলং প্ৰাগ্ৱৎ। সমানাধিকৰণ সমৰ্থ সুবন্ত সৈতে বিশেষণ আৰু বিশেষ্যৰ বহুল প্ৰকাৰে সমাস হয়। নীলমুৎপলম্ নীলোৎপলম্। বহুলগ্ৰহণাৎ ক্বচিন্নিত্যম্। কৃষ্ণসৰ্পঃ। কচিন্ন ৰামো জামদগ্ন্যঃ।

**উপমানানি সামান্যৱচনৈঃ (২।১।৫৫)**

উপমানোপমেয় সাধাৰণ ধৰ্ম বিশিষ্টৱাচিভি সমানাধিকৰণৈঃ সমস্যন্তে স তৎপুৰুষঃ ইত্যৰ্থঃ। যেনে— ঘন ইব শ্যামো ঘনশ্যামঃ।

**শাকপাৰ্থিৱাদীনাং সিদ্ধয়ে উত্তৰপদলোপ-স্যোপসংখ্যানম্ (ৱাৰ্ত্তিক)**

শাকপাৰ্থিবাদি শব্দসমূহ নিষ্পন্ন কৰিবৰ কাৰণে উত্তৰ পদৰ লোপ হয়। শাকপ্ৰিয়ঃ পাৰ্থিবঃ শাকপাৰ্থিবঃ। দেৱপূজকোৱ্ৰাহ্মণো দেৱ ব্ৰাহ্মণঃ।

**নঞ্ (২।২।৬)**

নঞ্ সুপাসহ সমস্যতে। নঞৰ সমৰ্থ বুজালে সুবন্ত শব্দৰ সৈতে বিকল্পে নঞ্ তৎপুৰুষ সমাস হয়।

**নলোপো নঞঃ (৬।৩।৩৭)**

নস্য লোপঃ উত্তৰপদে, উত্তৰপদ পাচত থাকিলে নঞ্ সমাসৰ যি নকাৰ তাৰ লোপ হয়। ন ব্ৰাহ্মণঃ অব্ৰাহ্মণঃ।

**কুগতিপ্ৰাদয়ঃ (২।২।২৮)**

এতে সমৰ্থেন নিত্যং সমস্যন্তে। কু, গতিসংজ্ঞক আৰু প্ৰাদিৰ সমৰ্থ সুবন্তৰ সৈতে নিত্য সমাস হয়। কুৎসিতঃ পুৰুষঃ কুপুৰুষঃ।

**প্ৰাদয়োগতাদ্যৰ্থে প্ৰথময়া (ৱাৰ্ত্তিক)**

গত আদি অৰ্থত প্ৰ আদি উপসৰ্গবিলাকৰ প্ৰথমান্ত পদৰ সৈতে নিত্যই সমাস হয়। প্ৰগত আচাৰ্য্যঃ প্ৰাচাৰ্য্যঃ।

**গোস্ত্ৰিয়োৰুপসৰ্জনস্য (১।২।৪৮)**

উপসৰ্জনং যো গো শব্দঃ স্ত্ৰী প্ৰত্যয়ান্তশ্চ তদন্তস্য প্ৰাতিপদিকস্য হ্ৰস্বঃ স্যাৎ। যেনে— অতিমালঃ।



**নিৰাদয়ঃ ক্ৰান্তাদ্যৰ্থে পঞ্চম্যাঃ (ৱাৰ্ত্তিক)**

ক্ৰান্তাদি অৰ্থত নিৰ্ আদিৰ পঞ্চম্যন্ত পদৰ সৈতে নিত্য সমাস হয়। যেনে— নিষ্ ক্ৰান্তঃ/নিষ্ক্ৰান্তঃ কৌশাম্ব্যাঃ নিষ্কৌশাম্বিঃ।

**তত্ৰোপপদং সপ্তমীস্থম্ (৩।১।৯২)**

সপ্তম্যন্তে পদে কৰ্মনীত্যাদৌ বাচ্যত্বেন স্থিতং যৎ কুম্ভাদি তদ্‌বাচকং পদমুপপদ সংমং স্যাৎ।

**উপপদমতিঙ্ (২।২।১৯)**

উপপদং সুবন্তং সমৰ্থেন নিত্যং সমস্যতে। উপপদ সংজ্ঞক সুবন্তপদৰ তিঙন্ত ভিন্ন সমাৰ্থক সুবন্তপদৰ সৈতে নিত্য সমাস হয়।

অতিঙন্তশ্চায়ং সমাসঃ। যেনে— কুম্ভং কৰোতীতি কুম্ভকাৰঃ। অতিঙ্ কিম্? মা ভৱান্ ভুৎ। মাঙিলুঙিতি সপ্তমী নিৰ্দেশান্মাঙুপপদম্।

**ৰাজাহঃসখিভ্যষ্টচ্ (৫।৪।৯১)**

এতদন্তাৎ তৎপুৰুষাট্টচ্ স্যাৎ। ৰাজন্ শব্দান্ত, অহন্ শব্দান্ত আৰু সখি শব্দান্ত যি তৎপুৰুষ সমাস হয় তাৰ অন্তত টচ্ প্ৰত্যয় হয়। যেনে— পৰমৰাজ।

**ত্ৰেস্ত্ৰয়ঃ (৬।৩।৪৮)**

ত্ৰিশব্দস্য ত্ৰয়ম্ আদেশঃ স্যাৎ পূৰ্বৱিষয়ে। ত্ৰি শব্দৰ ঠাইত ত্ৰয়স্ আদেশ হয়, সংখ্যাবাচক শব্দ পাচত থাকিলে, কিন্তু বহুব্ৰীহি সমাস আৰু অশীতি শব্দ পাচত থাকিলে নহয়। ত্ৰয়োদশ, ত্ৰয়োবিংশতিঃ, ত্ৰয়স্ত্ৰিশৎ।

**দ্বিগুপ্ৰাপ্তাপন্নালম্প্ৰৱৰ্গতিসমাসেষু প্ৰতিযেধোৱাচ্যঃ (ৱাৰ্ত্তিক)**

দ্বিগুসমাস আৰু প্ৰাপ্ত, আপন্ন, অলম্ পূৰ্বক সমাস আৰু গতিসমাসৰ পৰপদৰ নিচিনা লিঙ্গ নহয়। যেনে— পঞ্চসু কপালেষু সংস্কৃত পঞ্চকপালঃ পুৰোত্ৰাশঃ।

।। ইতি তৎপুৰুষ সমাসঃ।।

# অথ বহুব্ৰীহি সমাসঃ

**শেষো বহুব্ৰীহিঃ (২।২।২৩)**

অধিকাৰোঽয়ং প্ৰাক্ দ্বন্দ্বাৎ। দ্বন্দ্ব সমাসৰ পূৰ্বলৈকে বহুব্ৰীহি সমাসৰ অধিকাৰ হয়।

**অনেকমন্যপদাৰ্থে (২।২।২৪)**

অনেকং প্ৰথমান্তমন্যস্য পদস্যাৰ্থে বৰ্ত্তমানং বা সমস্যতে স বহুব্ৰীহিঃ। আন পদাৰ্থত বৰ্ত্তমান যি অনেক প্ৰথমান্ত পদ তাৰ পৰস্পৰ বিকল্পে সমাস হয় তাক বহুব্ৰীহি সমাস বোলে।

**সপ্তমী ৰিশেষণে বহুব্ৰীহৌ (২।২।৩৫)**

সপ্তম্যন্তং ৰিশেষণং চ বহুব্ৰীহৌ পূৰ্ৱং স্যাৎ। অত এব জ্ঞাপকাদ্ ব্যধিকৰণপদো বহুব্ৰীহিঃ। সপ্তম্যন্তপদ আৰু বিশেষণৰ বহুব্ৰীহি সমাসত পূৰ্বত প্ৰয়োগ হয়।

**হলদন্তাৎ সপ্তম্যাঃ সংজ্ঞায়াম্ (৬।৩।৯)**

হলন্তাদদন্তাচ্চ সপ্তম্যাঃ অলুক্। হলন্ত আৰু অদন্ত শব্দৰ পাচত থকা যি সপ্তমী বিভক্তি তাৰ লোপ নহয় সংজ্ঞা অৰ্থত। কণ্ঠেকালঃ। প্ৰাপ্তং উদকং যং স প্ৰাপ্তোদকো গ্ৰামঃ। ঊঢ়ৰথোনৈড়্বান্। উপহৃত পশুৰুদ্ৰঃ। উদ্ধৃতৌদনা স্থালী। পীতাম্বৰোহৰিঃ। ৰীৰপুৰুষকো গ্ৰামঃ।

**নঞোঽস্ত্যৰ্থানাং ৰাচ্যো বা চোত্তৰ পদ লোপঃ (ৰাৰ্ত্তিক)**

নঞঃ পৰেষামস্ত্যৰ্মৰাচিনাং সুবন্তানাং বহুব্ৰীহিৰ্বাচ্যঃ। তত্ৰাস্ত্যৰ্থ ৰাচিনামুত্তৰ পদ ভূতানাং লোপস্য বা বক্তব্যঃ ইত্যৰ্থঃ।

নঞ্‌ৰ পাচত থকা অস্ত্যৰ্থ বাচক সুবন্ত পদৰ সৈতে বহুব্ৰীহি সমাস



হয়, আৰু উত্তৰপদস্থ অস্ত্যৰ্থক শব্দৰ বিকল্পে প্লেলাপ হয়। যেনে— অবিদ্যমান পুত্ৰঃ — অপুত্ৰঃ।

**সংখ্যাসুপূৰ্ৱস্য (৫।৪।১৪০)**

পাদস্যলোপঃ স্যাৎ সমাসন্তৌ বহুব্ৰীহৌ। সংখ্যা আৰু সুপূৰ্বক যি পাদ শব্দ তাৰ সমাসান্ত লোপ হয়, বহুব্ৰীহি সমাসত। যেনে— দ্বিপাৎ, সুপাৎ।

**উদ্বিভ্যাংকাকুদস্য (৫।৪।১৪৮)**

উদ্বিভ্যাংপৰস্য কাকুদস্য লোপ স্যাৎ বহুব্ৰীহৌ। উদ্ আৰু বি উপসৰ্গৰ পাচত থকা যি কাকুদ্ শব্দ তাৰ লোপ হয় বহুব্ৰীহি সমাসত। উৎকাকুৎ, ৱিকাকুৎ।

**পূৰ্ণাদ্বিভাষা (৫।৪।১৪৯)**

পূৰ্ণাৎ পৰস্য কাকুদস্য লোপো বা স্যাদ্ ইত্যৰ্থঃ। পূৰ্ণ শব্দৰ পাচত থকা যি 'কাকুদ' শব্দ তাৰ সমাসান্ত লোপ হয় বহুব্ৰীহি সমাসত বিকল্পে। পূৰ্ণকাকুৎ। পূৰ্ণকাকুদঃ।

**সুহৃদদুৰ্হৃদৌমিত্ৰামিত্ৰয়োঃ (৫।৪।১৫০)**

সুদুৰ্ভ্যাং হৃদয়স্য হৃদ্‌ভাৰো নিপাত্যতে। মিত্ৰ আৰু অমিত্ৰ শব্দ থাকিলে হৃদয় শব্দৰ ঠাইত নিপাতনত হৃদ্ ভাব হয়। সুহৃৎ-মিত্ৰম্। দুৰ্হৃদ্-অমিত্ৰঃ।

**নিষ্ঠা (২।৩।৩৯)**

নিষ্ঠান্তং বহুব্ৰীহৌ পূৰ্ৱং স্যাৎ। বহুব্ৰীহি সমাসত নিষ্ঠান্ত শব্দৰ পূৰ্বত প্ৰয়োগ হয়। যুক্তযোগঃ।

**শেষাদ্বিভাষা (৫।৪।১৫৪)**

অনুক্ত সমাসান্তাদ্ বহুব্ৰীহেঃ কব্বা। শেষাধিকাৰস্থ অনুক্ত সমাসান্ত বহুব্ৰীহি সমাসত বিকল্পে কপ্ প্ৰত্যয় হয়। যেনে— মহাযশস্কঃ। মহাযশাঃ।

।। ইতি বহুব্ৰীহি সমাসঃ।।

# অথ দ্বন্দ্বঃ সমাসঃ

**চার্থে দ্বন্দ্বঃ (২।২।২৯)**

অনেকং সুবন্তং চার্থে বৰ্ত্তমানং বা সমস্যতে স দ্বন্দ্বঃ। চকাৰাৰ্থত বৰ্ত্তমান যি অনেক সুবন্তপদ তাৰ বিকল্পে দ্বন্দ্ব সমাস হয়। সমুচ্চয়ান্বাচয়েতৰেতৰযোগসমাহাৰাশ্চাৰ্থাঃ তত্র ঈশ্বৰং গুৰুং চ ভজস্বেতি পৰস্পৰ নিৰপেক্ষস্যানেকস্যৈকস্মিন্নন্বয়ঃ সমুচ্চয়ঃ। চকাৰৰ অৰ্থ সমুচ্চয়, অন্বাচয়, ইতৰেতৰ যোগ আৰু সমাহাৰ।

পৰস্পৰ নিৰপেক্ষ অনেকপদৰ এটাৰ অন্বয় বা সম্বন্ধ হ'লে তাক সমুচ্চয় বোলে। মিলিত শব্দৰ সম্বন্ধক ইতৰেতৰ যোগ দ্বন্দ্ব বোলে। সংজ্ঞা পৰিভাষাৰ্থমিতি সমূহঃ সমাহাৰঃ। অনেক পদাৰ্থ সমূহক সমাহাৰ দ্বন্দ্ব বোলে।

**দ্বন্দ্বে ঘি (২।২।৩২)**

দ্বন্দ্বে ঘি সংজ্ঞং পূৰ্বং স্যাৎ। দ্বন্দ্ব সমাসত ঘি সংজ্ঞকৰ পূৰ্ব নিপাত হয়। হৰিশ্চ হৰশ্চ হৰিহৰৌ।

**অজাদ্যদন্তম্ (২।২।৩৩)**

ইদং দ্বন্দ্বে পূৰ্বং স্যাৎ। দ্বন্দ্ব সমাসত অজাদি আৰু অদন্তৰ পূৰ্ব নিপাত হয়। ঈশকৃষ্ণৌ।

**পিতামাত্রা (১।২।৭০)**

মাত্রা সহোক্তৌ পিতা বা শিষ্যতে। মাতৃ শব্দৰ সৈতে পিতৃ শব্দৰ দ্বন্দ্ব সমাস হ'লে বিকল্পে পিতৃ শব্দৰ শেষ থাকে। যেনে— মাতা চ পিতা চ পিতৰৌ বা মাতাপিতৰৌ।

**দ্বন্দ্বশ্চ প্ৰাণিতূৰ্য্যসেনাঙ্গানাম্ (২।৪।২)**

এষাং দ্বন্দ্ব একবৎ স্যাৎ। প্ৰাণি অঙ্গ, তূৰ্য্যাঙ্গ আৰু সেনাঙ্গ বাচক দ্বন্দ্বসমাস একবৎ হয়। যেনে— পানি চ পাদৌ চ পানিপাদম্।

।। ইতি বহুব্রীহি সমাসঃ।।



# অথ সমাসান্ত প্ৰকৰণম্

**অক্ষ্ণোঽদৰ্শনাৎ (৫।৪।৭৬)**

অচক্ষু পৰ্য্যায়াদক্ষ্ণোঽচ্ স্যাৎ সমাসান্তঃ চকু পৰ্য্যায়ক ভিন্ন যি অক্ষি সম্বন্ধীয় শব্দান্ত সমাস তাৰ পৰা অচ্ প্ৰত্যয় হয়। গবামক্ষীব গবাক্ষঃ।

**উপসৰ্গাদধ্বনঃ (৫।৪।৮৫)**

উপসৰ্গৰ পাচত থকা যি অধ্বন্ বা পথবাচক শব্দ তাৰ পৰা অচ্ প্ৰত্যয় হয়। প্ৰগতোঽধ্বানং প্ৰাধ্বো ৰথঃ।

**ন পূজনাৎ (৫।৪।৫৯)**

পূজনাৰ্থাৎ পৰেভ্যঃ সমাসন্ত ন স্যুঃ। পূজনাৰ্থক শব্দৰ পৰা সমাসান্ত প্ৰত্যয় নহয়। সুৰাজা অতিৰাজা।

ইতি সমাসান্তাঃ।

।। ইতি সমাস প্ৰকৰণম্।।

# অথ অপত্যাধিকাৰ প্ৰকৰণম্

**১। স্ত্ৰীপুংসাভ্যাংনঞ্স্নঞৌ ভৱনাৎ (৪।১।৮৭)**

'ধ্যান্যান্যাং ভৱনে' ইত্যতঃ প্ৰাগৰ্থেষু স্ত্ৰী পুংসাভ্যাং ক্ৰমান্নঞ্ স্নঞৌ স্তঃ।

'ধান্যান্যাং ভৱনে' (ক্ষেত্ৰে এই সূত্ৰৰ পূৰ্ব অৰ্থত বিকল্পে স্ত্ৰী শব্দ আৰু পুমস্ শব্দৰ ঠাইত যথাক্ৰমে নঞ্ আৰু স্নঞ্ প্ৰত্যয় হয়। যেনে — স্ত্ৰৈনঃ, পৌংস্নঃ।

**২। তস্যাপত্যম্ (৪।১।৯২)**

ষষ্ঠ্যন্তাৎ কৃতসন্ধেঃ সমৰ্থাদ্ অপত্যেঽৰ্থে উক্তাঃ ৰক্ষ্যমানাশ্চ প্ৰত্যয়াঃ বা স্যুঃ। অৰ্থাৎ ষষ্ঠ্যন্ত কৃত সুবন্তৰ পৰা অপত্য অৰ্থত উক্ত (অন্-ন্য-নঞ্-স্নঞ্) প্ৰভৃতি আৰু ইঞ্ আদি প্ৰত্যয়বিলাক বিকল্পে হয়।

**৩। ওৰ্গুণ (৬।৪।১৪৬)**

উৰৰ্ণান্তস্য ভস্য ভগুণ স্তদ্ধিতে। তদ্ধিত প্ৰত্যয় পিছত থাকিলে উবৰ্ণান্ত ভ সংজ্ঞক শব্দৰ গুণ হয়। যেনে — উপগোৰপত্যম্ - ঔপগৰঃ।

**৪। অপত্যং পৌত্ৰপ্ৰভৃতিগোত্ৰম্ (৪।১।১৬২)**

অপত্যত্বেন বিৰক্ষিতং পৌত্ৰাদি গোত্ৰং সংজ্ঞং স্যাৎ। অপত্যত্ব বুজাবৰ কাৰণে যি পৌত্ৰ, প্ৰপৌত্ৰ আদি শব্দ ব্যৱহাৰ কৰা হয় তাৰ গোত্ৰ সংজ্ঞা হয়।

**৫। একো গোত্ৰে (৪।১।৯৩)**

গোত্ৰে এক এবাপত্য প্ৰত্যয়ঃ স্যাৎ, গোত্ৰত এটাই মাত্ৰ প্ৰত্যয় হয়।



যেনে — উপগোৰ্গোত্ৰাপত্যম্ - ঔপগবঃ।

**৬। গৰ্গাদিভ্যে যঞ্ (৪।১।১০৫)**

গোত্ৰপত্যে। গোত্ৰাপত্য বুজালে ষষ্ঠ্যন্ত গৰ্গাদি সুবন্ত শব্দৰ পিছত যঞ্ প্ৰত্যয় হয়। যেনে — গৰ্গস্য গোত্ৰাপত্যং গাৰ্গ্যঃ। ৱাৎস্যঃ।

**৭। অত ইঞ্ (৪।১।৯৫)**

অপত্যেঽৰ্থে। অপত্য অৰ্থত অদন্ত প্ৰাতিপদিকৰ পিছত ইঞ্ প্ৰত্যয় হয়। যেনে — দাক্ষিঃ।

**৮। ৱাহ্বাদিভ্যশ্চ (৪।১।৯৬)**

অপত্য অৰ্থত বাহু আদি শব্দৰ পিছত ইঞ্ প্ৰত্যয় হয়। ৱাহৱিঃ। ঔডুলোমিঃ।

**৯। শিৱাদিভ্যেঽণ্ (৪।১।৯৬)**

অপত্যে। অপত্য অৰ্থত শিৱাদি শব্দৰ উত্তৰ অন্ প্ৰত্যয় হয়।

যেনে—শৈৱঃ। গাঙ্গঃ।

**১০। মাতুৰুৎসংখ্যাসম্ভদ্ৰপূৰ্বায়াঃ (৪।১।১১৫)**

সংখ্যাদি পূৰ্বস্য মাতৃশব্দস্য আদেশঃ স্যাৎ অন্ প্ৰত্যয়শ্চ। সংখ্যাদি পূৰ্বক মাতৃ শব্দৰ উত্তৰ অন্ প্ৰত্যয় হয় আৰু উৎ আদেশ হয়। দ্বৈমাতুৰঃ। ষাণ্মাতুৰঃ।

**১১। স্ত্ৰীভ্যো ঢক্ (৪।১।১২০)**

স্ত্ৰী প্ৰত্যয়ান্তেভ্যো ঢক্ স্যাৎ। স্ত্ৰীপ্ৰত্যয়ান্ত শব্দৰ উত্তৰ ঢক্ প্ৰত্যয় হয়। যেনে — বৈনতেয়ঃ।

**১২। ৰেবত্যাদিভ্যষ্ঠক্ (৪।১।১৪৬)**

অপত্য অৰ্থত বেৰতী আদি শব্দৰ ঠক্ প্ৰত্যয় হয়।

**১৩। ঠস্যেকঃ (৭।৩।৫০)**

অঙ্গাত পৰস্য ঠস্যেকাদেশঃ স্যাৎ। অঙ্গৰ পাছত থকা যি ঠক্ প্ৰত্যয় তাৰ ঠাইত ইক্ আদেশ হয়। যেনে — ৰৈবতিকঃ।

**১৪। জনপদশব্দাৎক্ষত্ৰিয়াদঞ্ (৪।১।১৬৮)**

জনপদক্ষত্ৰিয় বাচকাচ্ছব্দাদঞ্ স্যাদপত্যয়ে। জনপদবাচক ক্ষত্ৰিয় শব্দৰ পাছত অঞ্ প্ৰত্যয় হয়, অপত্য অৰ্থ বুজালে । যেনে — পাঞ্চালঃ।

।। ইতি অপত্যাধিকাৰ প্ৰকৰণম্।।



## সহায়ক গ্ৰন্থ

১। লঘুসিদ্ধান্ত কৌমুদী, শ্ৰীবৰদৰাজ আচাৰ্য্য কৃত, মোতিলাল বনাৰসী দাস, দিল্লী।

২। লঘুসিদ্ধান্ত কৌমুদী, শ্ৰীৰমনী কান্ত দেৱ শৰ্মা, ৰোহিনী প্ৰকাশন, বৰ্ণাচল, গুৱাহাটী, ১৯৯৮ ইং।

৩। পাণিনীয়ম্, A Higher Sanskrit Grammar and Composition., Dr. Prabodh Ch. Lahiri and Pandit Hrishikesh Shastri, Sanskrit Pustak Bhandar, Calcutta-6, 1979.

৪। Helps to the Study of Sanskrit, Janakinath Sastri, Indian Book Company, Calcutta-7, A-20, Coolege Street Market, 1978.

৫। বৈয়াকৰণসিদ্ধান্তকৌমুদী, ম. ম. পণ্ডিত গিৰিধৰ শৰ্মা চতুৰ্বেদঃ, ম. ম. পণ্ডিত পৰমেশ্বৰনন্দশৰ্মা ভাস্কৰঃ, মোতিলাল বনাৰসী দাস, দিল্লী, ১৯৭৯।